


গুৱাহাটী আৰু নগাঁৱৰপৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

*সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে*

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ১৩ জুন, ২০২৫/২৯ জেঠ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৮ ● Vol - 14, Issue - 8

# ঐক্য, সমন্বয় আৰু সহনশীলতাৰ মাজেৰেহে বৈচিত্ৰ্যৰ মাজত ঐক্য সম্ভৱ ঃ মুখ্যমন্ত্ৰী

## অসম সত্ৰভূমি সমস্যা পৰ্যৱেক্ষণ আৰু পৰীক্ষণ আয়োগৰ চূড়ান্ত প্ৰতিবেদন দাখিল মুখ্যমন্ত্ৰীক



**দিছপুৰ** ঃ অসম সত্ৰভূমি সমস্যা পৰ্যৱেক্ষণ আৰু পৰীক্ষণ আয়োগে বিস্তৃত ক্ষেত্ৰভিত্তিক পৰ্যবেক্ষণৰ অন্তত প্ৰস্তুত কৰা চূড়ান্ত প্ৰতিবেদনখন লোকসেৱা ভৱনৰ সন্মিলন কক্ষত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আনুষ্ঠানিকভাৱে দাখিল কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ জাতীয় স্বাভিমান সুৰক্ষাৰ দিশত আজি এক গুৰুত্বপূৰ্ণ দিন বুলি অভিহিত কৰি কয় যে আয়োগৰ এই প্ৰতিবেদন অসমৰ ইতিহাসত মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈ ৰ'ব। এই ঐতিহাসিক পদক্ষেপৰ সৈতে জড়িত অসম সত্ৰ আয়োগৰ অধ্যক্ষ, অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক প্ৰদীপ হাজৰিকা, আয়োগৰ সদস্যদ্বয় ক্ৰমে বিধায়ক মৃণাল শইকীয়া আৰু ৰূপক শৰ্মা তথা সুধীবৃন্দ আৰু আয়োগৰ সমূহ বিষয়া-কৰ্মচাৰীক মুখ্যমন্ত্ৰীয়ে আন্তৰিক অভিনন্দন আৰু ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জাতীয় জীৱন, ভাষা তথা কলা-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ ৰাজ্যৰ সত্ৰসমূহৰ অৱদান অপৰিসীম। ৰাজ্যৰ সামাজিক, *১০ পৃষ্ঠাত*

# মৰিগাঁও জিলাত অংগনবাড়ী কৰ্মীলৈ স্মাৰ্টফোন বিতৰণ কাৰ্যসূচীত মন্ত্ৰী পীযুষ হাজৰিকা আৰু কৌশিক ৰায়

## শিশু আৰু গৰ্ভৱতী মহিলাৰ পুষ্টি সুনিশ্চিত কৰাৰ ক্ষেত্ৰত অংগনবাড়ী কৰ্মীসকলৰ ভূমিকা অপৰিসীম ঃ মন্ত্ৰী পীযুষ হাজৰিকা




**দিছপুৰ** ঃ অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ ইত্যাদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কৌশিক ৰায়ৰ সৈতে জিলাখনৰ পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত মৰিগাঁও জিলাৰ অংগনবাড়ী কৰ্মীসকললৈ আনুষ্ঠানিকভাৱে স্মাৰ্টফোন প্ৰদান কৰে। জিলা মহিলা আৰু শিশু কল্যাণ বিভাগৰ উদ্যোগত আয়োজিত অনুষ্ঠানটোত জিলাখনৰ মুঠ ২১৩৭ টা অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকালৈ পোষণ অভিযানৰ অধীনত স্মাৰ্টফোন বিতৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মন্ত্ৰী হাজৰিকাই কয় যে অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকল আমাৰ বৰ্তমানৰ সমাজ ব্যৱস্থাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংগ, কিয়নো তেওঁলোকে সমাজৰ শিশুসকলক জন্মৰ আগৰেপৰাই পুষ্টিৰ ক্ষেত্ৰত ধাৰাবাহিকভাৱে গুৰুত্ব প্ৰদান কৰি ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শিশুৰ পুষ্টি তথা শিক্ষাৰ সমানে সমানে অংগনবাড়ী কৰ্মীসকলে গৰ্ভৱতী মহিলা তথা দুগ্ধদান কৰি থকা মাতৃসকলৰ পৰিপুষ্টি আৰু সুস্বাস্থ্য নিশ্চিত কৰাৰ ক্ষেত্ৰটো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বিশেষকৈ সমাজৰ আৰ্থিকভাৱে দুৰ্বল পৰিয়ালসমূহৰ শিশু আৰু গৰ্ভৱতী মহিলাসকলৰ পুষ্টিৰ বাবে অংগনবাড়ী কৰ্মীসকলেই মূলতঃ দায়িত্বশীল বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে কাম কৰি আহিছে। মুখ্যমন্ত্ৰীগৰাকীৰ সদিচ্ছাৰ বাবে প্ৰথমবাৰৰ বাবে ৰাজ্যৰ অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলে অৱসৰকালীন ভাট্টা হিচাপে ক্ৰমে চাৰি আৰু দুই লাখ টকাকৈ লাভ কৰিছে। তেওঁলোকৰ আন সমস্যাসমূহ সমাধানৰ বাবেও চৰকাৰে পৰ্যায়ক্ৰমে কাম কৰি আছে বুলি তেওঁ মন্তব্য আগবঢ়ায়। আনহাতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বতে ৰাজ্যখনত অংগনবাড়ী কেন্দ্ৰসমূহ আটকধুনীয়াকৈ নিৰ্মাণৰ ব্যৱস্থা লোৱা বুলিও মন্ত্ৰী হাজৰিকাই মন্তব্য প্ৰকাশ কৰে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে আৰু কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ *১০ পৃষ্ঠাত*

# শুৱালকুছিত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন ২০২৫



**অনামিকা (সংগীতা) কলিতা** ঃ অসম চৰকাৰৰ 'সংহত শিশু উন্নয়ন সেৱা আচনি অন্তৰ্গত শুৱালকুছিৰ অঙ্গনবাদী কেন্দ্ৰ-১৩'ৰ উদ্যোগত ৫ জুন ২০২৫ তাৰিখে বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰে। এই অনুষ্ঠানটোৰে বিগত সময়চোৱাত কণ-কণ শিশুসকলক শিক্ষাদানৰ লগতে *১০ পৃষ্ঠাত*



# নগাঁৱত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

## প্লাষ্টিক বৰ্জনৰ বাবে সজাগতা সৃষ্টিৰে বাটৰ নাট প্ৰদৰ্শন



**বিশেষ সংবাদদাতা, নগাঁও ঃ** সমগ্ৰ বিশ্বৰ লগতে নগাঁও জিলাতো বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে নগাঁও চহৰখনৰ ডচন উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত অসম ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত দিনযোৰা কাৰ্যসূচীৰে এই দিৱসটো উদ্‌যাপন কৰে। ইয়াৰ লগত সংগতি ৰাখি বিদ্যালয়খনৰ চৌহদত নৱৰূপ জাতীয় বিদ্যাপীঠৰ শিক্ষাৰ্থী সকলে নাট্যকাৰ শোনিত কুমাৰ বৰাৰ 'প্লাষ্টিক মেন' নামৰ বাটৰ নাট প্ৰদৰ্শন যোগে বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে ডচন উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত আয়োজিত এখন সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ অধ্যক্ষ তপন কুমাৰ বৈদ্যই। যুগল চন্দ্ৰ হাজৰিকাই আদৰণি ভাষণেৰে আৰম্ভ হোৱা সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে নগাঁও মহাবিদ্যালয়ৰ অধ্যাপক ড° ভুৱন চন্দ্ৰ চুতীয়া আৰু বিদ্যালয়খনৰ বিজ্ঞান বিষয়ৰ শিক্ষক ঋত্বিক মজুমদাৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ বিষয়া প্ৰলয় দাস। উক্ত সভাতেই বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতাৰ বঁটাসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। তদুপৰি মধ্য অসমৰ অন্যতম নাৰী শিক্ষাৰ শিক্ষানুষ্ঠান নগাঁও ছোৱালী মহাবিদ্যালয়ৰ উদ্যোগত আৰু কাজিৰঙা ব্যাঘ্ৰ প্ৰকল্প, পান্থতৰু সংৰক্ষণী, অসম, আৰণ্যক, এল বি চি এছ আৰু ডব্লিউ ডব্লিউ এফৰ সহযোগত মহাবিদ্যালয়খনৰ চিন্তা জুৰণি কক্ষত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰে। এই উপলক্ষে চহৰখনৰ ৰচ খন অগ্ৰণী শিক্ষানুষ্ঠানে নিৰ্ধাৰিত বিষয় বস্তু সামৰি দৃশ্য শ্ৰাব্য মাধ্যমেৰে বক্তব্য উপস্থাপন কৰে। আনহাতে, নগাঁও চিকিৎসা মহাবিদ্যালয়ত আয়োজিত পৰিৱেশ দিৱসৰ কাৰ্যসূচীত স্থানীয় বিধায়ক ৰূপক শৰ্মাই গছপুলি ৰোপণ কৰাৰ লগতে দুখন প্ৰচীৰ পত্ৰিকা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। একেদৰে নগাঁও পৌৰ সভাৰ উদ্যোগত নগাঁও চহৰৰ হয়বৰগাঁও ছোৱালী হাইস্কুলত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰে। এই দিৱসৰ লগত সংগতি ৰাখি নগাঁও জিলা প্ৰশাসনে নগাঁও সাংস্কৃতিক কেন্দ্ৰৰ জৰিয়তে জিলাখনৰ বিভিন্ন ঠাইত পৰিৱেশ তন্ত্ৰ ৰক্ষাৰ লগতে একক ব্যৱহাৰযোগ্য প্লাষ্টিক প্ৰদূষণৰ সমাপ্তি ঘটোৱাৰ বাবে সজাগতা সৃষ্টিৰে বাটৰ নাট প্ৰদৰ্শন কৰে। জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গছপুলি বিতৰণৰ লগতে বিদ্যালয় চৌহদত বিভিন্ন ফল-মূলৰ গছ পুলি ৰোপণ কৰে।

# লখিমপুৰ জিলা ভিত্তিত নাৰায়ণপুৰ শিক্ষা খণ্ডৰ উদ্যোগত শিমলুগুৰিত এদিনীয়া টেনিচ বল ক্ৰিকেট প্ৰতিযোগিতা



**বিতোপন গগৈ, শিমলুগুৰি ঃ** লখিমপুৰ জিলা শিক্ষা বিভাগৰ খণ্ড পৰ্যায়ৰ এদিনীয়া টেনিচ বল ক্ৰিকেট প্ৰতিযোগিতাখনি নাৰায়ণপুৰ শিক্ষাখণ্ডৰ উদ্যোগত যোৱা ৮ জুনত শিমলুগুৰিস্থিত ৰাজহুৱা খেলপথাৰত দিনযোৰা সূচীৰে অনুষ্ঠিত হৈ যায়। লখিমপুৰ, ঢকুৱাখনা, নাওবৈছা, বিহপুৰীয়া আৰু নাৰায়ণপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক তথা শিক্ষকসকলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিৰ ফাইনেল খেলত বিজয়ী হয় লখিমপুৰ ব্লক আনহাতে ৰাণাৰ্চ আপ হয় ঢকুৱাখনা ব্লক। প্ৰতিযোগিতাখনিত দুৰ্দান্ত প্ৰদৰ্শনেৰে মেন অব দ্য চিৰিজ খিতাপ দখল কৰিবলৈ সক্ষম হয় ঢকুৱাখনা ব্লকৰ ধনজিৎ বৰুৱাই। বিপৰীতে, ফাইনেল খেলখনৰ মেন অব দ্য মেচ দখল কৰে লখিমপুৰ ব্লকৰ বিকাশ গগৈয়ে আৰু শ্ৰেষ্ঠ বলাৰ খিতাপ দখল কৰে বিহপুৰীয়া ব্লকৰ স্বপ্ননীলে। প্ৰধান শিক্ষক ৰঞ্জিত বৰুৱাৰ সভাপতিত্বত হোৱা খেলখনৰ পৰিচালনা কৰে ৰোহিনী গগৈ আৰু সত্যজিৎ বৰুৱাই। শিক্ষক সূৰুয বুঢ়াগোহাঁইয়ে, ধাৰাভাষ্য প্ৰদান কৰা প্ৰতিযোগিতাখনিত শিক্ষকদ্বয় ক্ৰমে বীৰেন চাংমাই, মোহন মিলি, নৰোত্তম শইকীয়া, সিদ্ধান্ত মূদৈ, ভৰদ্বাজ সন্দিকৈ, টংকেশ্বৰ গগৈ, ৰিতু কুমাৰ দাস, যজ্ঞেশ্বৰ ফুকন, ডিম্বেশ্বৰ লিগিৰা, অনন্ত গগৈ, কিৰণ হাতীবৰুৱা, বীৰেন দত্ত, বিতোপন গগৈ আদিয়ে পূৰ্ণ সহযোগ প্ৰদান কৰে। প্ৰখৰ তাপকো নেওচি অনুষ্ঠিত প্ৰতিযোগিতাখনি সফল ৰূপায়ণৰ বাবে পৰিচালনা সমিতিৰ সম্পাদক পাপু প্ৰসাদে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰদান কৰে।

# মাজুলী জিলা অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত, মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগিতাত বিশ্ব পৰিৱেশ দিৱস পালন




**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী জিলা অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত, মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। পীতাম্বৰ দেৱ গোস্বামী জিলা অসামৰিক চিকিৎসালয় আৰু পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰৰ পূৰ্ণ সহযোগত দিনজোৰা কাৰ্যসূচীৰে এই বিশ্ব পৰিৱেশ দিৱস কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মাজুলী চিভিল ডিফেন্সৰ দুই শতাধিক কৰ্মীয়ে প্ৰথমে পীতাম্বৰ দেৱ গোস্বামী জিলা অসামৰিক চিকিৎসালয় প্ৰাংগণত পৰিৱেশ পৰিস্কৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত কাৰ্যসূচী শুভ উদ্বোধন কৰে মাজুলী জিলা চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত অধীক্ষক ডাঃ মাণিক মিলিয়ে। এই পৰিস্কৰণ কাৰ্যসূচীত চিভিল ডিফেন্সৰ স্বেচ্ছাসেৱকসকলে নৱ নিৰ্মিত মাজুলী জিলা আয়ুক্ত কাৰ্যালয়, শংকৰদেৱ শিশু বিদ্যা নিকেতন, গড়মূৰ; পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় আৰু পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয় প্ৰাংগণতো ৰূপায়ণ কৰে। পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব সন্দিপ কৌশিকে এটি গছপুলি ৰোপণেৰে শুভাৰম্ভ কৰে। দুপৰীয়া বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অধ্যক্ষ অজিত সভাপণ্ডিতৰ সভাপতিত্বত এখনি সজাগতা সভা অনুষ্ঠিত হয়। মাজুলী জিলা চিভিল ডিফেন্সৰ ডিভিজনেল ৱাৰ্ডেন তথা প্ৰৱক্তা ৰমেশ চন্দ্ৰ শইকীয়াই আঁত ধৰা সজাগতা সভাখনিত সমল ব্যক্তি হিচাবে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব সন্দিপ কৌশিক আৰু মাজুলী জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ জিলা আঁচনি বিষয়া দিব্যজ্যোতি শইকীয়াই পৰিৱেশ সন্দৰ্ভত তত্বগধুৰ ভাষণ প্ৰদান কৰে। সজাগতা সভাখনিত বিদ্যালয়ৰ শিক্ষকসকলৰ মাজৰ পৰা যদু কলিতা, অসামৰিক প্ৰতিৰক্ষা বিভাগৰ স্বেচ্ছাসেৱক অতুল গাম, ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা অলিম্পিকা হাজৰিকা, হৰিদেৱ কমান, বাস্তৱ পেগু আৰু বিউতি হাজৰিকাই ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মাজুলী জিলা চিভিল ডিফেন্সৰ উদ্যোগত অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰ প্ৰদান কৰা হয়। শেষত, অনুষ্ঠানটিৰ শলাগ জ্ঞাপন কৰে প্ৰৱক্তা যদু কলিতাই।

# জীয়াই থকাৰ প্ৰেৰণা

■ আচিক আহমেদ
নলবাৰী, বৰভাগ

হয়তো জীৱন আছে বাবেই সংগ্ৰাম আছে। জীৱনৰ বহু ঘাত-প্ৰতিঘাত, বিৰহ-বেদনা আৰু তিক্ততাৰ মাজতো মোৰ যে - জীয়াই থাকিবলৈ কি দুৰ্বাৰ অনিৰ্বাৰ হেঁপাহ। জীৱনৰ বিষাদ গাঠাৰ অন্তহীন আশাৰ মাজতো কেতিয়াবা চকুলো টুকিব বিচাৰিও চকুলো নুটুকে যদিও অন্তৰে হিয়া উজাৰি কান্দে। জীৱন আছে নাই কোনো ভৰষা, সংগ্ৰাম আছে নাই কোনো নিশ্চয়তা কিয়নো কেতিয়াবা অপেক্ষাৰ অন্ততঃ বিচৰা ফল নহ'বও পাৰে হৃদয়স্পৰ্শী। এক কাঁইটেৰে ভৰা দীঘলীয়া যাত্ৰা পথত ক'ৰবাত হয়তো নোপোৱাৰ বেদনাৰ পিছতো কাৰোবাৰ প্ৰেৰণাই মানুহক জীয়াই ৰাখিব পাৰে যেন- মই জীৱন হেৰুৱা নাই, মই ভাগৰা নাই। জীৱন মানে কেৱল জীৱিত থকা নহয়, কিন্তু এক কঠিন যাত্ৰা, য'ত প্ৰতিটো পদক্ষেপে সংঘৰ্ষ, বেদনা আৰু দুখৰ লগত এক নতুন আশাৰ সৃষ্টি কৰে। তথাকথিত এই আশাই মানুহক জীয়াই ৰাখে যদিও কেতিয়াবা সেই আশা-নিৰাশালৈ পৰিণতি হয়। সাম্প্ৰতিক সময়ৰ প্ৰতিযোগিতামূলক দৌৰসমূহত ফেৰ মাৰিব নোৱাৰি বৰ্তমান সময়ৰ বহুতো যুৱক-যুৱতীয়ে হীন্যমানতাত ভুগিও বহুতো চৰম সিদ্ধান্ত বাচি ল'বলগীয়া হয়, প্ৰকৃতপক্ষে, জীৱনৰ সংগ্ৰাম অস্থিৰ, য'ত জীৱনত হোৱা প্ৰত্যেকটো অঘটন, সংকট আৰু কষ্টই কেতিয়াবা আমাক অসহায় কৰি তোলে, তথাপিতো কিন্তু এইবোৰৰ মাজত এক অভ্যন্তৰীণ শক্তি থাকে, যিয়ে আমাক বাধা সমূহৰ পৰা পাৰ হৈ যাবলৈ অনুপ্ৰাণিত কৰে। জীৱনে কেতিয়াবা তিক্ত, বেদনা আৰু বিচ্ছেদৰ সন্মুখীন কৰে, কিন্তু সেয়া আমাৰ আত্মবিশ্বাসক শিথিল কৰিব নোৱাৰে যদিও জীৱন যুদ্ধৰ স'তে প্ৰকৃত সন্মুখীন হ'লেহে কান্দোনত ভাগি পৰা যায়। কিমান আঘাতৰ সৈতে মানুহ জীয়াই থাকিও শান্তিৰে উশাহ ল'বলৈ বিচাৰে সেয়া জানোঁ সহজ। মানুহ জীৱনত এবাৰেই মৰে কিন্তু তাৰ আগতে কেতিয়াবা টুকুৰা-টুকুৰি, খণ্ড-বিখণ্ড হয় যদিও এই খণ্ড-বিখণ্ডবোৰ পুনৰ জোৰা লাগিবলৈ ল'লে জীয়াবলৈ আৰম্ভ কৰে। মানুহৰ মনৰ মাজতো চলি থাকে বহু আভ্যন্তৰীণ কোলাহলৰ শব্দ, বহু জীৱনৰ তিক্ততা আৰু খণ্ড-বিখণ্ড ঘটনাৰ সমাহাৰ, কিন্তু সেইবোৰ শুনিবলৈ কাৰোৱে আঁহৰি নাথাকে নাইবা দৃষ্টিগোচৰ নহয়। মানুহ কেতিয়াবা নিজৰ মাজতেই ইমানেই নিৰ্যাতিত যে- জীৱনে দিয়া যন্ত্ৰণাৰ স'তেও যুঁজি যুঁজিও অৱতীৰ্ণ হয়, অন্তৰত বহু যন্ত্ৰণাৰ জুই লৈয়ো আনক পোহৰাই ৰাখি জীয়াই থাকে য'ত জ্বলি থাকে শ্মশানৰ দৰে চিতাৰ জুই, অৰ্থাৎ মানুহ মৰি মৰিও জীয়াই থাকে আনকি কেতিয়াবা সেইবোৰ পৰা পৰিত্ৰাণ পাব বিচাৰি মানসিক উত্তেজনাক চম্ভালিব নোৱাৰে আত্মহত্যাৰ দৰেই চৰম সিদ্ধান্তক আঁকোৱালি লয়, যদিও কিন্তু কেতিয়াবা কাৰোবাৰ উৎসাহে মানুহক জীয়াই থকাৰ তাগিদা বৃদ্ধি কৰে।

**ম'বাইল ঃ** ৯৩৬৫৮-৬৫০৮২

# আমাৰে মইনা শুব এ...

■ জ্যোতিস্মিতা বৰা

কোনোবাই খিল খিলকৈ হাঁহি উঠিছে লগতে বেসুৰীয়াকৈ গাই আছে 'আমাৰে মইনা শুব এ... হা হা... বাৰীতে বগৰী...'। মন্দিৰটোৰ ঘণ্টা ধ্বনিৰ সমানে সমানে হাঁহিটো অনুৰণিত হৈছে। পুৱা ঊষাৰ কিৰণ পৰি মন্দিৰৰ কাষতে থকা ঘাঁহনি ডৰা জিলিকি উঠিছে। পাৰ চৰাই দুটা মানেও কেইটা মান বুট মাহৰ আশাত মন্দিৰৰ চৌপাশে লিৰিকি বিদাৰি ফুৰিছে। অভিনয় প্ৰিয় পল্লৱ প্ৰিয়মে কৃত্ৰিমভাৱে সেয়া এভাগি কৰি অনুসূয়াৰ সৈতে নামি আহিছে মন্দিৰৰ চিৰিটোৰে তললৈ। বিয়া হোৱা আজি সাত বছৰৰ পিছতো ভগৱানৰ পৰা মাত্ৰ এটা বস্তু বিচাৰি হাহাকাৰ কৰিব ধৰিছে...অথচ ভগৱান যেন অসন্তুষ্ট সিহঁতৰ প্ৰাৰ্থনাত। চিকিৎসকক দেখুৱাৰ পিছতো দুৰ্ভাগ্য, ভগৱান যেন একমাত্ৰ অস্তিত্ব। ভগৱানৰ সঁচাই ইমান বস্তু আছেনে যে বিচাৰিলেই দিব পৰাকৈ কাৰোবাক শেষ হৈ নাযায় নে কেতিয়াবা...হয়তো যায়...সেইবাবে ইমান কাতৰ প্ৰাৰ্থনা কৰাৰ হেতুও এটা মাত্ৰ বস্তু দিব পৰা নাই ঈশ্বৰে...কিন্তু মুক্তিৰ পথ...সহজ নহয়নে...মৃত্যু মানেই মুক্তি নেকি? ইমান কোমলনে 'মৃত্যু' শব্দটি...ভগৱানে কিয় প্ৰতিদান ৰূপে আজিলৈকে একো বিচৰা নাই? মানুহৰ যে মৃত্যু হয় সেয়া জন্ম হোৱাৰ প্ৰতিদান নেকি? ভগৱানে সহায়ৰ বিনিময়ত ধন্যবাদ এটাও নিবিচাৰে নে?

- নোৱাৰোঁ আৰু অনু, এনেকৈ বুঢ়াই হ'মগৈ, এডপ্ত কৰি লওঁ আহা...

- মোৰ কোনো প্ৰব্লেম নাই পল, কিন্তু মা...?

অনুসূয়াৰ ক'ৰবাত ভয় এটা নথকা নহয় আৰু থকাটোও আচৰিতো নহয়। পল অৰ্থাৎ পল্লৱৰ ওচৰত মাকে তাইক যিমান আদৰ সাদৰ কৰি দেখুৱালেও দিনটো চাকৰি কৰি ঘৰলৈ উভতাৰ পিছত সামান্য জিৰণিখিনিও যে শাহুৱেকে তাইক ল'বলৈ নিদিয়ে সেয়া তাইৰ বাদে অন্য কোনেও ভালকৈ নুবুজিব। ঘৰৰ আলাসৰ ছোৱালী তাই, চহৰখনৰ কেমেষ্ট্ৰী প্ৰফেচৰ ড° অনুসূয়া বৰুৱা, পাঠক সমাজৰ জনপ্ৰিয় প্ৰিয় লেখিকা অনুসূয়া অভিলেখা শাহুৱেকৰ বাবে মাত্ৰ কুলক্ষণী মহিলা।

- কি হ'ল অনু?

- নাই একো নাই।

ইমান কষ্ট কৰা পলক জানো আৰু এগাল মান কষ্ট জাপি দিয়াটো বাঞ্চনীয়? সেইবাবেই তাই স্কুলীয়া দিনৰ বান্ধৱী ডক্তৰ ৰূহী কাকতিৰ লগত লগ লাগি সলাই পেলাইছিল ৰিপৰ্ট। পৰীক্ষাত ধৰা পৰিছিল পলৰ পিতৃ ক্ষমতা প্ৰাপ্তিৰ অযোগ্যতা। আজি অলপ দিনৰ আগত মঞ্চাভিনয় কৰি এটা দুৰ্ঘটনাত পতিত হৈছিল তাৰ ফলস্বৰূপে এইয়া...। অনুসূয়াই তাক জানিবলৈ নিদিলে তাৰ প্ৰতি থকা এখিনি মৰম আৰু হেঁপাহৰ বাবে আৰু সেইকণ হেঁপাহৰ ভাগ বতৰা কৰা দুখতেই অকলে সহিবলগীয়া হৈছে তাই অতবোৰ দুখ, শাহুৱেকৰ কটু বাক্য। প্ৰতিদান সকলোৰে বিচাৰে তাইৰ শাহুৱেকে, সময়ে , ভগৱানে...।

'আমাৰে মইনা শুব এ... হা হা... ভোক হি হি ভোক লাগিছে...' হওক তেওঁ পাগল হ'লেও দেখোন ভোকৰ তাড়না চিনিব পাৰিছে। সন্তানৰ মুখ দেখিছে, আৰু...আৰু সন্তানক কোলাত ল'ব পাৰিছে, নিজৰ বুলি চিনি পাইছে...কিন্তু, পিতৃ কোন?

প্ৰায় আঢ়ৈ বছৰীয়া কণমানি এজনীক কোলাত লৈ তাই বহি আছে ফুটপাথৰ দাঁতিত। কোনোবাই আধাখোৱা কিবা এটাকে মুখলৈ দলিয়াই গৈছে। হ'ল বুলিয়ে জানো কেঁচুৱাটোক সেইবোৰ খাবলৈ দিব পাৰিব? তাইৰ কাষেদি পাৰ হৈ যাওঁতে একেলগে কঁপিছে দুটি কলিজা, বেলেগ বেলেগ আদৰত। কোনোবা এখন যদি দুখত কোনোবা এখন অনুসূচনাত। অনু আৰু পল গৈ তাইৰ ওচৰত ৰ'ল।

- পল কেঁচুৱাটো যদি...

হাত দুখন মেলি মানুহজনীৰ ফালে অনু আগুৱাই গ'ল অন্তত আপোনজনক জীয়াই ৰাখিব নোৱাৰিলেও এটি সত্বা বাচি থাকিব। পলৰো আপত্তি নাই অনুসূচনাৰ সামান্য অংশ এটিকে ম্লান পৰিব।

- ভ...ভন...মানে বাইদেউ

প্ৰচণ্ড বিষ এটাই বুকুখন খুন্দা মাৰি ধৰিছে অনুসূয়াৰ, যদি সময়বোৰ একে থাকিলহেঁতেন।

- মোক দি দিয়ক কেঁচুৱাটো মই ভালকৈ ৰাখিম।

- না নাই সিহঁতে মাৰিব...

- বাইদেউ প্লিজ, মোক দি দিয়ক মই ৰাখিম কোনেও মাৰিব নোৱাৰে...

- নাই নাই। আৰু অলপ উছাহত তাই কেঁচুৱাটোক সাৱটি ধৰিছে। ঘূৰি ঘূৰি অনুসূয়াৰ মনলৈ ভাঁহি আহিছে কিছুমান মোহাৰিব নোৱাৰা অতীত। তেতিয়া তাই পললৈ বিয়া হৈ অহা খুব বেছি পাঁচ বছৰ হৈছিল। নিজৰ নিজৰ কামৰ সংক্ৰান্তত অনু আৰু পল দুয়োটাই বেলেগ বেলেগ ঠাইত আছিলগৈ। অনুৰ চাৰিজনীয়া ঘৰ এখন। মাক-দেউতাক, ভনীয়েক আৰু তাই। দেউতাকৰ মাজে মাজে অসুখ হৈ থাকে। তাই বিয়া হৈ অহাৰ পিছত ঘৰখন আৰু নিতাল মাৰিল। ভনীয়েক অভিপ্ৰিয়া পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ পঢ়ি আছিল। চহৰখনৰ প্ৰায়বোৰ ল'ৰা-ছোৱালীক কলেজৰ শেষত টিউচন কৰে। তেনেকৈ পাৰ কৰিছে। সেইদিনাই নামি আহিল এটি কালক্ষণ। মাক দেউতাক সম্পৰ্কীয় কাৰোবাৰ ঘৰত বিয়া খাবলৈ গ'ল। তায়ো টিউচন কৰি ঘৰলৈ উভতি আহিছিল। সেই বাটতেই দিকভ্ৰান্ত হৈ পৰিল তাই চিৰদিনৰ বাবে। স্কুটিখন আগছি ধৰিছিল এখন ক'লা SUV এ আৰু তাৰ পিছত এটা বগা বাংলোৰ ভিতৰলৈ তাইক লৈ যোৱা হৈছিল। কাৰোবাৰ উমাল উমাল হাতৰ স্পৰ্শত ছটফটাই ফুৰি দেহত আৰম্ভ কৰিছিল এটি প্ৰচণ্ড বিষ... তাৰ পিছত মনত নাই তাইৰ।

ঘৰখনলৈ ডাক্তৰৰ নিয়মীয়াকৈ আহ যাহ চলিছিল বহুদিন। ডাক্তৰৰ মতে অভিপ্ৰিয়াৰ দেহত নতুনকৈ এটি ভ্ৰূণৰ সৃষ্টি হৈছিল। দুটি মাহৰ পিছতে আলাসৰে আৱৰি ধৰিছিল সেই কণমানি সত্বাটোক জৰায়ুৰ প্ৰতিটো বিন্দুৱে। অভিপ্ৰিয়া মাক হ'ব, এটি অবৈধ সন্তানৰ মাক। অবৈধ সন্তানৰ বীজ সিঁচি বৈধ হৈ মুক্ত মনে এতিয়াও ঘূৰি আছে সেই কুলাংগাৰ। সমাজখন বহু আগুৱাইছে, আন্তৰিকতা হেৰাব লাগিছে...

অবিকল সময়ৰ ভৰপাকত মানুহবোৰেও আলচিব লাগিল। হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত স্থান পাই পাছ কৰা অভিপ্ৰিয়াৰ যদি ফলাফলৰ খবৰ ল'বলৈ ইমান মানুহ নাছিল কিন্তু পৃথিৱীৰ পোহৰ দেখাৰ আগতেই তাইৰ সন্তানৰ চৰ্চা কৰা মানুহৰ অভাৱ হোৱা নাছিল। অনুসূয়াই তাইক বহুত দিন আৱৰি আছিল গৈ। কিন্তু তাইৰো এখন ঘৰ আছে। শহুৰেক কিবা কামৰ বাবে কাহানিবাই ওলাই গ'ল ঘৰখনত শাহুৱেকজনীক অকলে এৰি থাকিবলৈও তাইৰ ভাল নালাগে। সেয়ে আকৌ উভতি আহিছিল নিজৰ ঘৰলৈ। দিনবোৰ বাগৰি গ'ল, লাহে লাহে সত্বাটিয়ে অভিপ্ৰিয়াৰ উদৰত উশাহ ল'লে। সহ্যৰ সীমা পাৰ হৈ এদিন ৰাতি লাহেকৈ ঘৰৰ পৰা আঁতৰি আহিল তাই। বহুদিন মুখত কাপোৰ মেৰিয়াই ঘূৰিলে কিজানি কোনোবাই চিনি পাই। বহুত বিচাৰিলে ঘৰখনত নাপালে। সমাজখনে চকু ধুৱাই শ্ৰাদ্ধ পাতিবলৈ বাধ্য কৰালে মাক-দেউতাকক। অভিপ্ৰিয়া বলিয়া হ'ল বাটৰ বলিয়া। কেতিয়াবা ৰাতি কোলাৰ কেঁচুৱাটিক কৈ যায় তাই, তেতিয়াই চলি থাকে পদাৰ্থ বিজ্ঞানৰ বহুল থিয়'ৰি। নিউটনৰ আপেলটি সৰি পৰাৰ দৰে এটি খোৱা বস্তু যদি সৰি পৰে কাষত মাধ্যাকৰ্ষণৰ দ্বাৰা কেনেবাকৈ যদি সৰি পৰে পাপিষ্ঠসকলৰ দেহৰ খণ্ড...। ইয়ংছৰ সূত্ৰৰ দৰে যদি পৰ্দাত প্ৰতিফলিত হয় সেই দস্যুৰ প্ৰতিবিম্ব তেতিয়া তাই ফালি পেলাব পাৰিব হাতৰ নখবোৰে...কিন্তু অভিপ্ৰিয়া পাগল হৈ গৈ থাকিল, মধ্যাকৰ্ষণৰ দ্বাৰা আজিও মুখ থেকেচা নাখালে সেই দস্যুবোৰে...।

কেঁচুৱাটিক হাতত তুলি লৈ অনুসূয়াৰ চকুৰে পানী বাগৰি আহিল, তাই চিনি পাইছে তাইক, আগতে কেইবাদিনো খাবলৈ কিবা এটা দি থৈ গৈছে, কেতিয়াবা কাপোৰ এসাঁজ...কিন্তু ভন্টি বুলি পৰিচয় দিব পৰাকৈ তাই সমাজখনৰ পৰা বঞ্চিত হৈ আছে। অভিপ্ৰিয়াৰ ওঁঠৰ কাষত এটি তিল আছে, অনুসূয়াৰ মনত আছে...।

- কি হ'ল অনু? পলৰ কথাত হে তাই বাস্তৱলৈ ঘূৰি আহিল।

- নাই একো নাই।

- চাবা মায়ে একো নকয় বৰ ভাল পাব...

মাকলৈ ফোন এটা কৰি কথাটো জনালে পলে। মাকে লৈ যাবলৈ কৈছে। সুখী হৈছে বোলে। নাজানে কোনেও সেই সুখ কিমান দিনীয়া। কিন্তু মাকৰ কথা এটিয়ে পলকো আচৰিত কৰি তুলিলে। বোলে সন্তানৰ মাক অৰ্থাৎ বাটৰ বলিয়া জনিকো ঘৰলৈ লৈ যাব লাগে, তেওঁলোকে আশ্ৰয় দিব বোলে। ছোৱালীজনীক ঘৰখনলৈ লৈ যোৱা হ'ল। মাকে পূজাৰ থালখনৰ সৈতে আগফালে ৰৈ আছিলেই। এটি মিঠা হাঁহিৰে আদৰিছে। হয়তো মনবোৰ সলনি হৈছে মানুহৰ, হওক দে যদি এই কেঁচুৱাটোৰ আগমণিতেই ঘৰখন শান্ত হয় হওক। সন্তানৰ মাক অভিপ্ৰিয়াকো পলৰ মাক আল্পনাই মৰম কৰিছে। ইমান কটু মানুহজনিৰ অন্তৰতো এনেকুৱা মৰম সোমাই আছে নে, অনুকো আঁকোৱালি ধৰিছে মাকে। তাই বাৰু ক'ব পাৰিবনে তেওঁলোকক এইয়া যে তাইৰে ভনীয়েক। আকৌ মাতিব পাৰিবনে বাৰু তাইক এবাৰ ভন্টি বুলি...।

- আয়' দেহি ছোৱালীজনী বৰ ডাঙৰ নহয় চা, ডক্তৰক দেখালে ভাল হ'ব বুজিছ। -আল্পনাই তাগিদাত কৈ উঠিল।

সকলোৰে মূৰ জোঁকাৰি সম্মতি দিলত তেওঁ আকৌ ক'বলৈ ধৰিলে 'বুইছ অনু - পল এনেকুৱা মানুহবোৰক আমি আশ্ৰয় দিব নোৱাৰিমনে অতখন ঘৰ। মোৰ বুঢ়া কালত লগ এটাও হ'ব আৰু আমাৰ মইনা... অ' এইক নাম এটা ৰাখিব লাগিব নহয়... অ' এই কাৰণে কাপোৰ এযোৰ...মই মন্দিৰত চাকি এগছ...।

এটা ক্ষণতে আল্পনা আদৰ্শৱান মাক আৰু আইতাক হৈ থিয় দিছে। আজিৰ পৰা চাগে অনুয়েও গালি শুনিব নালাগে। গাড়ীখনৰ পৰা পলৰ দেউতাক নামি আহিছে। ক'ৰবালৈ গৈছিল মিটিং মাৰিবলৈ। যাঠিয়ে গৰকিল যদিও কিছুমান আচৰণ তেওঁৰ এতিয়াও সলনি হোৱা নাই। সেইবাবে পলৰ সৈতে প্ৰায় মাতবোল নহয় তেওঁৰ। পলৰ সম্পূৰ্ণ বিপৰীত চৰিত্ৰৰ মানুহ তেওঁ। গাড়ীখনৰ পৰা নামি তেওঁ সকলোলৈকে তধা লাগি চালে।

- এই এই আকৌ ক'ৰপৰা...?

অভিপ্ৰিয়ালৈ চাই তেওঁ ভয় খাইছে। কিন্তু কিয়?

দিনবোৰ পাৰ হৈ যাব ধৰিলে, কণমানি কেঁচুৱাটিও ডাঙৰ হৈ এতিয়া সকলোৰে মাজত শান্তিপ্ৰিয়া নামেৰে খ্যাত হৈ পৰিছে। ঘৰত আশ্ৰম এখন হ'ল। সকলোৰে মৰমৰ তাই। আজি পলৰ দেউতাকৰ শ্ৰাদ্ধ, যোৱা এঘাৰ দিনৰ আগত কোনোবাই হত্যা কৰি পেলাই থৈ গ'ল। এতিয়াও পুলিচে সন্ধান চলাই আছে।

- মা মা

শান্তিপ্ৰিয়াৰ মাতত অনুসূয়া বাস্তৱলৈ ঘূৰি আহিল।

- কোৱা মাজনি।

- মা মা ককা বৰ ভাল মানুহ আছিল ন। কোন ইমান বাৰু বেয়া মানুহ থাকিব পাৰে যি ককাক মাৰি গ'ল।

অনুসূয়া ক্ষন্তেকৰ বাবে মুক হৈ পৰিল। কেনেকৈ বুজাব তাই ককাক কিমান ভাল। কেনেকৈ বুজাব তাইক তাইৰ ককাকৰ ঔৰসতে যে তাই জন্ম হৈছে। সেই নিশাটিত ককাকৰ অসৎ প্ৰবৃত্তি নোহোৱা হ'লে তাই যে জন্ম নল'লেহেঁতেন কেনেকৈ বুজাব। ইমান দিনৰ প্ৰতিশোধৰ জুইকুৰা বুকুত লৈ জীয়াই থাকি তায়ে যে শহুৰেকক হত্যা কৰিছে কোনে বুজিব, কোনে জানিব? ৰহস্য ৰহস্য হৈয়ে থাকি যাব। সঁচাই প্ৰতিদান সকলোৱে বিচাৰে , মানুহে ঈশ্বৰে। আগফালৰ চোতালখনত বহি অনুসূয়াৰ পগলা ভনীয়েকে আকৌ গাইছে 'আমাৰে মইনা শুৱ এ... বাৰীতে বগৰী ৰূব এ...'।

**ম'বাইল ঃ ৮৪৭৪৮-৯৪৫৩৬**

# মানুহ এজন বয়সৰ দ্বাৰা নহয়, দ্বায়িত্বশীলতাৰ জৰিয়তে পৰিপক্ক হৈ উঠে

■ **চন্দ্ৰ শেখৰ পৰাজুলী**
বিশ্বনাথ চাৰিআলি, অসম

এজন মানুহৰ জীৱনক আমাৰ আধ্যাত্মিক ধৰ্ম গ্ৰন্থবোৰৰ অনুসৰি চাৰিটা আশ্ৰম বা ভাগত বিভক্ত কৰা হৈছে। জন্মৰ পৰা প্ৰায় ২৫ বছৰলৈকে ব্ৰহ্মচৰ্য, তাৰ পাছত ২৫ বছৰৰ পৰা ৫০ বছৰলৈকে গাৰ্হস্থ্য, তাৰ পাছৰ পৰ্যায়ত আছে ৫০ পৰা প্ৰায় ৭৫ বছৰলৈকে বানপ্ৰস্থ আৰু একেবাৰে মানৱ জীৱনৰ অন্তিমটো পৰ্যায়ত আছে ৭৫ বছৰৰ পৰা পাছৰ সময়খিনি সন্ন্যাস। এতিয়া কথা হ'ল, মানৱ জীৱনত এই চাৰিটা আশ্ৰমৰ মাজত কোনটো পৰ্যায়ত একেবাৰে পৰিপক্কতা জৰিয়তে মানুহে শাৰীৰিক, মানসিক, বৌদ্ধিক, আধ্যাত্মিক শক্তিৰ ১০০ শতাংশই প্ৰয়োগলৈ লৈ আহিব পাৰে। ইয়াৰ উওৰত একাংশ বুদ্ধিজীৱীৰ মতে গাৰ্হস্থ্য বা গৃহস্থ ধৰ্ময়ে সৰ্বশ্ৰেষ্ঠ বুলি উল্লেখ কৰিলেও মোৰ মতে মানুহ এজনৰ পৰিপক্কতা কোনো সময়সীমা নাথাকে। কাৰণ মানুহ এজন বয়সৰ দ্বাৰা নহয়, দ্বায়িত্বশীলতাৰ জৰিয়তে পৰিপক্ক হৈ উঠে। আচলতে মানুহৰ পৰিপক্কতা সঁচাকৈ কোনো সময়সীমা নাথাকে। কাৰণ আমি বৰ্তমান সময়তে আমাৰ সামাজতে এনে বহু উদাহৰণ দেখিবলৈ পাওঁ বা পাবলৈ সক্ষম হৈছোঁ যে, একেবাৰে যৌৱন অৱস্থাৰ আৰম্ভণিতে এজন ল'ৰা বা ছোৱালীয়ে হওক তেওঁলোক নিজ নিজ পৰিৱেশ পৰিস্থিতি ওপৰত বিচৰণ কৰি এজন একেবাৰে বয়জ্যেষ্ঠ মানুহৰ জীৱনৰ তুলনাতো অধিক পৰিপক্কতা জৰিয়তে জীৱন অতিবাহিত কৰি যাবলৈ সক্ষম হৈছে। আচলতে জীৱনৰ পৰিপক্ক সচৰাচৰ বেছিকৈ জীৱনত আহি পৰা জটিলতা বা সংকটবোৰৰ ওপৰত নিৰ্ভৰশীল হয়। যিমান কম বয়সতেই এজন মানুহে যিমান ডাঙৰ ডাঙৰ সমস্যাৰ মুখামুখি কৰি আগুৱাই যাবলগীয়া হৈ পৰে সিমানেই সেই ব্যক্তিগৰাকীয়ে জীৱনত পৰিপক্কতা সাব্যস্ত কৰিবলৈ সক্ষম হয়। পৰিপক্কতা অৰ্থ হ'ল মানুহৰ মস্তিষ্কৰ বিকাশ। আৰু ইয়াৰ বাবে মানুহৰ বয়সৰ কোনো বাধকতা বা সময়সীমা নিৰ্ণয় কৰিব নোৱাৰি। কাৰণ মই আগতে উল্লেখ কৰিছোঁ যে, মানুহ এজনে ব্যক্তিগতভাৱে পাই অহা পৰিৱেশ, পৰিস্থিতি সমূহে মানুহৰ অনাগত দিনৰ দিশ নিৰূপণ কৰে। গতিকে আমাৰ বৰ্তমান সময়ৰ অভিভাৱক সকলে উঠি অহা নৱপ্ৰজন্মৰ ভৱিষ্যতৰ বিষয়ে চিন্তা-চৰ্চা কৰি নিজ নিজ ল'ৰা-ছোৱালীক সময় থাকোতেই যথাসম্ভৱ ঘৰুৱাভাৱে হওক বা সামাজিক দায়বদ্ধতা অৰ্পণ কৰাৰ প্ৰতি মনোনিৱেশ কৰক। নহ'লে অতি মাত্ৰাত দিয়া মৰম, চেনেহৰ জৰিয়তে এক ভয়াতুৰ বা কোপুৰুষ সন্তানৰে সৃষ্টি হ'ব ধৰিব। আপুনি যদি সৰ্বপ্ৰকাৰে যদিও এজন সফল অভিভাৱকৰ দায়িত্ব বহন কৰি আহিছে তথাপিও নিজ নিজ সন্তান সমূহক জীৱনত অভাৱ, সংঘাত, সংঘৰ্ষ, দুখ, কষ্ট আদিৰো সময় থাকোতেই শিক্ষা প্ৰদান কৰক। ইয়াৰ জৰিয়তে শিশু এটাৰ সৰ্বপ্ৰকাৰে অতি কম বয়সতে বিকাশ নিশ্চিত হৈ পৰে।

# ম'বাইল এপ ঃ আধুনিক জীৱনৰ সংগী

■ ললিত নাথ
ইটাখোলা, শোণিতপুৰ

আধুনিক যুগত ম'বাইল এপ আমাৰ জীৱনৰ এক অপৰিহাৰ্য অংশ হৈ পৰিছে। স্মাৰ্টফোন আৰু টেবলেটৰ বাবে ডিজাইন কৰা এই ছ'ফ্‌টৱেৰ এপসমূহে জীৱনৰ প্ৰতিটো ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন আনিছে। যোগাযোগ, শিক্ষা, ব্যৱসায়, বিনোদন আদিৰ পৰা আৰম্ভ কৰি দৈনন্দিন কাম-কাজ সৰলীকৰণ কৰালৈকে ম'বাইল এপে জীৱনক অধিক সুবিধাজনক, দ্ৰুত আৰু ফলপ্ৰসূ কৰি তুলিছে। যোগাযোগৰ ক্ষেত্ৰত হোৱাটছএপ, টেলিগ্ৰাম, মেচেঞ্জাৰৰ দৰে এপৰ মাধ্যমেদি বিশ্বৰ যিকোনো প্ৰান্তৰ সৈতে তাৎক্ষণিকভাৱে সংযোগ স্থাপন সম্ভৱ হৈছে। টেক্সট, ভইচ কল আৰু ভিডিঅ' কলৰ সুবিধাই দূৰত্বৰ সীমা নাইকিয়া কৰিছে। ইয়াৰ উপৰিও জুম, গুগল মিটৰ দৰে এপে কৰ্মক্ষেত্ৰৰ সভা আৰু দূৰৱৰ্তী কামক অধিক সহজ আৰু কাৰ্যকৰী কৰিছে।

ই-কমাৰ্চ প্লেটফৰ্ম যেনে আমাজন, ফ্লিপকাৰ্ট আৰু মিনত্ৰাই ক্ৰয়-বিক্ৰয়ৰ অভিজ্ঞতাক নতুন মাত্ৰা প্ৰদান কৰিছে। ঘৰত বহি থাকিয়েই গ্ৰাহকে প্ৰয়োজনীয় সামগ্ৰী সহজে ক্ৰয় কৰিব পাৰে, যিয়ে সময় আৰু শ্ৰম দুয়োটাৰে লাঘৱ কৰিছে। ইয়াৰ উপৰিও পেটিএম, গুগল পে, আৰু ফোনপেৰ দৰে UPI এপে ডিজিটেল লেনদেনক অধিক দ্ৰুত, সুৰক্ষিত আৰু সুবিধাজনক কৰি তুলিছে। এই প্লেটফৰ্মসমূহৰ জৰিয়তে সৰু-বৰ ব্যৱসায়ীসকলে নিজৰ বজাৰ সম্প্ৰসাৰণৰ সুযোগ লাভ কৰিছে, যাৰ ফলত তেওঁলোকে অধিক গ্ৰাহকৰ ওচৰলৈ লৈ যাবলৈ সক্ষম হৈছে। এই ডিজিটেল সুবিধাই ব্যৱসায় আৰু ক্ৰয়-বিক্ৰয়ৰ পৰিৱেশত যুগান্তকাৰী পৰিৱৰ্তন আনিছে।

শিক্ষাৰ ক্ষেত্ৰত মোবাইল এপসমূহে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। বাইজু'ছ, আনএকাডেমী, ডু'লিংগোৰ দৰে এপে ঘৰত বহি শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদান কৰিছে। ভিডিঅ' টিউটোৰিয়েল, কুইজ আৰু পাৰস্পৰিক পঢ়া-শুনাৰ মাধ্যমত এই এপসমূহে শিক্ষাক আকৰ্ষণীয় আৰু সৰল কৰিছে। বিশেষকৈ ক'ভিড মহামাৰীৰ সময়ত, যেতিয়া পৰম্পৰাগত শিক্ষাৰ পথ বন্ধ হৈছিল, তেতিয়া এই এপসমূহে শিক্ষাৰ ধাৰাবাহিকতা ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই প্লেটফৰ্মসমূহে শিক্ষাৰ্থীসকলক নিজৰ গতিত শিকিবলৈ আৰু জ্ঞানৰ নতুন ক্ষেত্ৰ অন্বেষণ কৰিবলৈ সুবিধা প্ৰদান কৰিছে।

মাই ফিটনেছ পাল, হেলথিফাই মিৰ দৰে এপসমূহে খাদ্য, ব্যায়াম আৰু নিদ্ৰাৰ তথ্য সাঁচি ৰাখি সুস্থ জীৱনশৈলীৰ পথ দেখুৱায়। টেলিমেডিচিন এপৰ জৰিয়তে ঘৰত বহি থাকিয়েই চিকিৎসকৰ পৰামৰ্শ, ঔষধৰ অৰ্ডাৰ আৰু স্বাস্থ্য পৰীক্ষাৰ সুবিধা পোৱা যায়। এই এপবোৰে স্বাস্থ্যৰ প্ৰতি সজাগতা বঢ়োৱাৰ ক্ষেত্ৰত বহুত সহায় কৰিছে।

বিনোদনৰ ক্ষেত্ৰত নেটফ্লিক্স, আমাজন প্ৰাইম, ইউটিউব, স্পটিফাইৰ দৰে এপসমূহে যিকোনো সময়, যিকোনো স্থানত বিনোদনৰ সুবিধা কৰি তুলিছে। চিনেমা, গান, প'ডকাষ্টৰ উপৰিও পাবজি, ফ্ৰী ফায়াৰৰ দৰে গেমিং এপসমূহে তৰুণসকলৰ মাজত অপাৰ জনপ্ৰিয়তা লাভ কৰিছে।



উবেৰ আৰু ওলাৰ দৰে এপসমূহে সহজ আৰু দ্ৰুত যাতায়তৰ সুবিধা প্ৰদান কৰে, যাৰ ফলত শ্ৰম লাঘৱ হয় আৰু সময় ৰাহি হয়। জোমাটো আৰু ছুইগিৰ দৰে এপসমূহে খাদ্য অৰ্ডাৰ আৰু বিতৰণৰ সুবিধা কৰি দিয়ে। গুগল মেপৰ দৰে নেভিগেচন এপে অচিনাকি স্থানত পথ প্ৰদৰ্শন কৰি ভ্ৰমণক নিৰাপদ আৰু সুবিধাজনক কৰে। ইয়াৰ উপৰিও, টু-ডু লিষ্ট এপসমূহে কামৰ তালিকা প্ৰস্তুত কৰি সময়ৰ সঠিক ব্যৱস্থাপনা আৰু উৎপাদনশীলতা বৃদ্ধিত সহায় কৰে। এই সকলো এপে আমাৰ দৈনন্দিন জীৱনক অধিক সংগঠিত আৰু কাৰ্যকৰী কৰি তোলে।

ম'বাইল এপে জীৱনক অধিক সুবিধাজনক আৰু দক্ষ কৰি তুলিছে। প্ৰথমতে এপসমূহে সময় ৰাহি কৰে, কাৰণ ক্ৰয়-বিক্ৰয়, যোগাযোগ বা শিক্ষাৰ দৰে কাম দ্ৰুত আৰু সহজে সম্পন্ন হয়। দ্বিতীয়তে যিকোনো স্থানৰ পৰা সেৱা গ্ৰহণৰ সুবিধা প্ৰদান কৰে, যেনে ঘৰত বহি খাদ্য অৰ্ডাৰ বা চিকিৎসকৰ পৰামৰ্শ লাভ কৰা। তৃতীয়তে ব্যৱহাৰকাৰীৰ প্ৰয়োজন অনুসৰি সেৱা নিজৰ পছন্দ অনুসৰি সজোৱাৰ সুবিধা আছে।

শেষত, উন্নত প্ৰযুক্তিৰ জৰিয়তে ডিজিটেল লেনদেন আৰু তথ্যৰ নিৰাপত্তা নিশ্চিত কৰে।

ম'বাইল এপৰ সুবিধাৰ লগতে কিছু প্ৰত্যাহ্বানো আছে, যেনে গোপনীয়তাৰ সমস্যা। ব্যক্তিগত তথ্য চুৰি বা অপব্যৱহাৰৰ আশংকা থাকে, ইণ্টাৰনেটৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতাই সমস্যাৰ সৃষ্টি কৰে, বিশেষকৈ দুৰ্বল নেটৱৰ্কৰ ক্ষেত্ৰত। এপৰ অত্যধিক ব্যৱহাৰৰ ফলত সময়ৰ অপচয় আৰু উৎপাদনশীলতা হ্ৰাস পায়। এই প্ৰত্যাহ্বান সমাধানৰ বাবে নিৰাপদ এপ বাছনি, শক্তিশালী পাছৱৰ্ড ব্যৱহাৰ আৰু স্ক্ৰীণ টাইম নিয়ন্ত্ৰণৰ প্ৰতি সচেতন হোৱা প্ৰয়োজন।

ম'বাইল এপ্লিকেশনে আমাৰ জীৱনক অধিক উৎপাদনশীল, সুবিধাজনক আৰু গতিশীল কৰি তুলিছে। সঠিক আৰু সচেতন ব্যৱহাৰৰ জৰিয়তে এই এপসমূহৰ সুবিধাসমূহ সৰ্বাধিক কৰি তুলিব পাৰি। ভৱিষ্যতে প্ৰযুক্তিৰ ক্ৰমাগত অগ্ৰগতিৰ সৈতে ম'বাইল এপৰ ভূমিকা আৰু গুৰুত্ব বৃদ্ধি পাব, যিয়ে আমাৰ দৈনন্দিন জীৱনক আৰু অধিক সহজ, কাৰ্যকৰী আৰু সমৃদ্ধ কৰি তুলিব।

**ম'বাইল ঃ** ৯৯৫৪১-৩৯৪৯৩

# নিজৰ হতাশা আনলৈ নদলিয়াব

■ বনশ্ৰী শৰ্মা

মৃত মানুহৰো চৰিত্ৰ বিচাৰ-বিশ্লেষণত নামি পৰে আমাৰ এচাম। নিজৰ সৈতে যেতিয়ালৈকে একো বেয়া নঘটে তেতিয়ালৈকেতো আমি প্ৰত্যেকেই সৎ, প্ৰত্যেকেই শুদ্ধ, প্ৰত্যেকেই ধোৱা তুলসীৰ পাত। আনৰ চৰিত্ৰ বিচাৰ-বিশ্লেষণ কৰাটো আটাইতকৈ উজু আৰু যদিহে নাৰী অথবা মৃত মানুহৰ কথা হয় তেতিয়া আৰু অধিক সহজ হয়। কাৰণ নাৰীৰ কৈফিয়ৎ কোনেও নুশুনে, নাৰী মাত্ৰেই চৰিত্ৰহীনা আৰু মৃত মানুহে কৈফিয়ৎ দিবলৈ ঘূৰি আহিব নোৱাৰে। শেহতীয়াকৈ সংঘটিত হোৱা এগৰাকী যুৱতীৰ মৃত্যুৰ ঘটনাক কেন্দ্ৰ কৰি সামাজিক মাধ্যমত মৃত যুৱতী গৰাকীৰ চৰিত্ৰ বিচাৰ-বিশ্লেষণৰ যি অসহনীয় কাৰ্য চলি আছে সেয়া সঁচাকৈয়ে নিন্দনীয়। কাৰণ প্ৰকৃত ঘটনা সম্পৰ্কে আমি নাজানো, হ'ব পাৰে তেওঁৰ ভুল থাকিব পাৰে কিন্তু তেওঁৰোতো এটা পৰিয়াল আছে, পিতৃ-মাতৃ আছে। অনবৰতে সামাজিক মাধ্যমত এগৰাকী মৃত যুৱতীৰ চৰিত্ৰৰ বিচাৰ-বিশ্লেষণ কৰি থকা কাৰ্যই সেই পৰিয়ালটোৰ ওপৰত কেনে প্ৰতিক্ৰিয়া পেলাব পাৰে এবাৰ ভাবি চোৱাটো অতি প্ৰয়োজন। আপুনি বা মই তেওঁৰ মৃত্যুৰ ঘটনাৰ তদন্ত কৰিবতো নোৱাৰোঁ, গতিকে অনাহকত এইদৰে কাৰোবাৰ চৰিত্ৰৰ ওপৰত আঙুলি টোৱাই থকাতকৈ এবাৰ নিজেই কি কৰি আছে সেইপিনেও মন দিয়াটো প্ৰয়োজন। আটাইতকৈ হাঁহি উঠা কথা এইটো যে ৰাস্তাৰে ছোৱালী এজনী পাৰ হৈ গ'লে তলৰ পৰা ওপৰলৈ চকুৰে স্কেন কৰা কেইজনেও কোনোবা মৃত যুৱতীৰ চৰিত্ৰৰ বিচাৰ-বিশ্লেষণ কৰিবলৈ যায়। (সকলো পুৰুষকে কোৱা নাই, কিছু সংখ্যকৰ কথাহে কোৱা হৈছে)। লগতে আৰু এটা বৰ লাজ লগা কথা যে কিবা এটা ঘটনা ঘটাৰ লগে লগেই এচামে উজনি-নামনিৰ বিভাজনো কৰিবই। দেখিবলৈ পোৱা গৈছে বহুতেই সামাজিক মাধ্যমত লিখি আছে যে উজনিৰ ছোৱালীবোৰৰ গাত গুৱাহাটীৰ হাৱা বেছিকৈ লাগে, উজনিৰ ছোৱালীবোৰ এনেকুৱাই, ইত্যাদি ইত্যাদি। কিন্তু ব্যক্তিগতভাৱে মোৰো বহুকেইগৰাকী উজনিৰ বান্ধৱী আছে, যোৱা তিনি বছৰত তেওঁলোকৰ এগৰাকীকোতো মই একো বেয়া দেখা নাই, এগৰাকীওতো কোনো অনৈতিক কামত লিপ্ত হোৱা নাই। বৰং তেওঁলোক সকলো দিশৰ পৰাই গুণী, সংস্কৃতিবান। যদিহে কোনোবা এগৰাকীয়ে কিবা ভুল কৰিছে তাৰ বাবে গোটেই উজনিকে সাঙোৰাটো কিমান যুক্তিসংগত? সকলো কথাতে উজনি-নামনিৰ বিভাজন অনাৰ আগেয়ে এবাৰ ভাবিব অসম এখনেই।

আচলতে এচাম মানুহ আছে যিয়ে নিজৰ হতাশাবোৰ আনৰ গালৈ দলিয়াই বৰ স্ফূৰ্তি পায়। নিজৰ জীৱনটোক লৈ হতাশ হৈ থকা সময়তে যেতিয়া এনে ঘটনা ঘটে তেতিয়াই তেওঁলোকে এইদৰে আনৰ চৰিত্ৰৰ বিচাৰ-বিশ্লেষণ, ভৌগোলিক বিভাজন আৰু নানান অপ্ৰয়োজনীয় কামত নামি পৰে সম্পূৰ্ণ অযুক্তিকৰ আৰু নিন্দনীয় ধৰণেৰে।

# নামনি মাজুলী আঁহতগুৰি শাখা সাহিত্য সভাৰ সাধাৰণ সভা; নতুন সমিতি গঠন




**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী জিলা সাহিত্য সভাৰ অন্যতম শাখা 'আঁহতগুৰি শাখা সাহিত্য সভা'ৰ সাধাৰণ সভাখন আঁহতগুৰি হাইস্কুলত অনুষ্ঠিত হয়। আঁহতগুৰি হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশন কৰা সাহিত্য সভাৰ উদ্বোধনী গীতেৰে আৰম্ভ হোৱা সভাখনৰ আঁত ধৰে শাখা সাহিত্য সভাৰ সম্পাদক কুমুদ বৰাই। আঁহতগুৰি শাখা সাহিত্য সভাৰ সভাপতি বিশ্বজিত দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত সাধাৰণ সভাখন তত্বগধুৰ ভাষণেৰে উদ্বোধন কৰে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱাই। সভাত, বিগত বৰ্ষৰ কাৰ্যবিৱৰণী পাঠ কৰে সম্পাদক কুমুদ বৰাই। সম্পাদক বৰাই শাখাৰ দুবছৰীয়া কাৰ্যকালৰ খতিয়ান আৰু আয় ব্যয়ৰ প্ৰতিবেদন সভাত দাখিল কৰে। সভাত সাহিত্য সভাৰ সাংগঠনিক দিশত গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে মাজুলী জিলা সাহিত্য সভাৰ উপ-সভাপতি খগেন হাজৰিকা আৰু সাংগঠনিক সম্পাদক সত্যজিত কুম্বাঙে। উক্ত, সাধাৰণ সভাতে আঁহতগুৰি শাখা সাহিত্য সভাৰ নতুন সমিতিখন গঠন কৰা হয়। পৰ্যবেক্ষক তথা মাজুলী জিলা সাহিত্য সভাৰ উপ-সভাপতি খগেন হাজৰিকাৰ পৰ্যবেক্ষণত নতুন সমিতিখন গঠন কৰা হয়। উক্ত, নতুন সমিতিত চন্দ্ৰকান্ত বৰাক সভাপতি, বিষ্ণুপ্ৰসাদ শইকীয়াক উপ সভাপতি, অনিল বৰুৱাক সম্পাদক, বলীন বৰাক সহকাৰী সম্পাদক হিচাপে লৈ ৩১ জনীয়া নতুন শাখা সাহিত্য সভাৰ সমিতিখন গঠন কৰা হয়। উক্ত, সভাত নৱ নিৰ্বাচিত সভাপতি চন্দ্ৰ কান্ত বৰুৱা আৰু সম্পাদক অনিল বৰুৱা সমজুৱাৰ ফালৰপৰা শ্ৰীধৰ বৰা, আনন্দ ওজা আদিয়ে বক্তব্য প্ৰদান কৰে।

# সিংহ আৰু খেতিয়ক

■ নিখিল কলিতা, শুৱালকুছি

এদিনাখন এখন গাঁও আছিল। সেই গাঁৱত বিপুল নামৰ এজন খেতিয়ক আছিল। সেই গাঁৱৰ হাবিত এখন খেতি পথাৰ আছিল। বিপুল নামৰ খেতিয়কজনে সেই খেতি পথাৰতে খেতি কৰিছিল। এদিন সি খেতি কৰিবলৈ যাওঁতে হাবিত বাটত এটা সিংহ দেখা পালে। সিংহটো দেখা পাই তাৰ ভয় লাগিল। সি কোনোমতে ভয় নকৰাকৈ সিংহ কাষলৈ গ'ল। সিংহটো ভৰিত আঘাত পাইছিল। সেই আঘাতৰ চিন দেখি বিপুলৰ দয়া উপজিল। সি সিংহটো ভালদৰে চোৱা-চিতা কৰি শুশ্ৰূষা কৰিলে। সিংহটো খুব সোনকালে ভাল পালে। সি ভালদৰে চ'লা-ফুৰা কৰিব পাৰিলে। সিংহটোৱে বিপুলক ধন্যবাদ জনালে আৰু এই উপকাৰ সদায় মনত ৰাখিব বুলি ক'লে। বিপুলৰ ঘৰৰ অৱস্থা ভাল নাছিল। খাবলৈ একো বস্তু নাই আৰু কিনিবলৈ পইছা নছিল। কাৰণ বিপুলৰ খেতি পথাৰ বানপানীয়ে বুৰাই পেলালে। সকলো শাক-পাচলি নষ্ট হ'ল দেখি বিপুলৰ মনত দুখ লাগিল। সি ঘৰলৈ যাওঁতে বাটত সিংহটো দেখা পালে। বিপুলে সিংহক লগ পাই সকলো কথা বিৱৰি ক'লে - তেতিয়া সিংহটোৱে বিপুলক নিজৰ গুহা দেখুৱাব নিলে। গুহা পাই সি বিপুলক অলপ বহিবলৈ দিলে। সিংহটোৱে গুহা ভিতৰলৈ সোমাই গৈ অলপ পিছত সিংহটোৱে সোণৰ অলংকাৰ আনি বিপুলক দিলে। খাবলৈ কেইটামান ফল বিপুলক দিলে। উপকাৰ পাই বিপুলে সিংহক ধন্যবাদ জনালে। তেতিয়াৰ পৰা বিপুলে আৰামেৰে নিজৰ জীৱনটো যাপন কৰিলে।

নীতিশিক্ষা- এদিন বিপুলে সিংহক উপকাৰ কৰিছিল আৰু সিংহটোৱে বিপুলক উপকাৰ কৰিলে। তুমি আনক উপকাৰ কৰিলে আনেও তোমাক উপকাৰ কৰে।

# অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা সম্পন্ন

## অসমীয়া জাতিৰ লগত সংপৃক্ত হৈ স্বজাতীয় জনগোষ্ঠী সমূহৰ লগত সংযুক্ত হৈ জাতীয় সংহতি ৰক্ষা কৰিবলৈ আহ্বান ঃ প্ৰধান সম্পাদক দেৱজিৎ বৰা



**ৰমেন ভৰালী, বংশৰ ঃ** অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ কেন্দ্ৰীয় সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা যোৱা ৯ জুনত অসম সাহিত্য সভাৰ গুৱাহাটীস্থিত কাৰ্যালয়ৰ মহেন্দ্ৰ বৰা সভাগৃহত অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতি কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি বিপুল শৰ্মা বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হয়। প্ৰথম কাৰ্যনিৰ্বাহক সভাখন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই। শুভ উদ্বোধনী ভাষণত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ দায়িত্ব, কৰ্তব্য আৰু কৰণীয় সম্পৰ্কে বিস্তাৰিতভাৱে কয়। সভাত তেখেতে ভাষণ প্ৰসংগত অসম সাহিত্য সভাৰ দায়িত্ব লৈ দায়িত্ব সহকাৰে কাম কৰিবলৈ সকলোকে আহ্বান জনায় আৰু অসমীয়া জাতিৰ লগত সংপৃক্ত হ'বলৈ সকলোকে কয় আৰু স্বজাতীয় জনগোষ্ঠী সমূহৰ লগত সংযুক্ত হৈ জাতীয় সংহতি ৰক্ষা কৰিবলৈ আহ্বান জনায়। প্ৰধান সম্পাদক দেৱজিৎ বৰাই ভাষণ প্ৰসংগত অসমৰ ২৮ টা জনগোষ্ঠীয় সাহিত্য সভাৰ সন্মানীয় সভাপতিসকলক লৈ গুৱাহাটীত হ'বলগীয়া বিশেষ বাৰ্ষিক অধিৱেশনৰ শোভাযাত্ৰাত অসম সাহিত্য সভাৰ সন্মানীয় সভাপতি ডাঙৰীয়াৰ সৈতে একেখন মঞ্চত সন্মান সহকাৰে লৈ জাতীয় সংহতি ৰক্ষা কৰিব বুলি কয়। ভাষণ প্ৰসংগত তেখেতে জাতি-জনজাতি, জনগোষ্ঠীয় লোকৰ মাজত থকা সৌহাদ্যপূৰ্ণ বন্ধুত্ব আৰু ঐক্যৰ সম্পৰ্ক আৰু অধিক শক্তিশালী কৰিব লাগিব বুলি কৈ এয়া সাধাৰণতে জাতিগত সংহতি, ঐক্য আৰু আন্তঃসম্পৰ্কৰ এটা জনগোষ্ঠীৰ আন এটা জনগোষ্ঠীৰ মাজৰ সম্পৰ্ক টনকিয়াল কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিণত হ'ব বুলি আমি বিশ্বাসী বুলি কয়। সভাত অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য তথা বিশিষ্ট সাহিত্যিক ধীৰেন শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভা অসমৰ এটি জাতীয় অনুষ্ঠান, জাতিৰ সেৱা আমি কিদৰে কৰিছোঁ, তাক জাতিটোৱে চাই থাকে বুলি কৈ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ দায়িত্ব আৰু কৰ্তব্য গধুৰ বুলি কয়। তেখেতে ভাষণ প্ৰসংগত জাতীয় সংহতি ৰক্ষা কৰি আগবাঢ়িলৈ আহ্বান জনায় আৰু স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ কৰণীয় বহুত আছে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। সভাত অসম সাহিত্য সভাৰ অনুবাদ প্ৰকল্পৰ আহ্বায়ক হৃদয়ানন্দ গগৈয়ে অসমৰ বিভিন্ন স্বজাতীয় জনগোষ্ঠী সমূহৰ মানসিকতাক হৃদয়ংগম কৰিব পাৰিব লাগিব বুলি কৈ প্ৰতিটো জাতি-জনগোষ্ঠীৰ সুকীয়া সংস্কৃতি আছে আৰু সেইবোৰৰ প্ৰতি প্ৰাধান্য বা মনোনিৱেশ কৰিব পাৰিলেহে প্ৰকৃত মৈত্ৰী বন্ধন হ'ব বুলি কয়। অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ কেন্দ্ৰীয় সমিতিৰ আহ্বায়ক ৰমেন ভৰালীয়ে আঁতধৰা আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা সভাত ২০২৫-২০২৭ কাৰ্যবৰ্ষৰ বাবে কেইবাটাও আঁচনি প্ৰস্তুত কৰা হয়। ২০২৫-২০২৭ কাৰ্যবৰ্ষত অসমৰ বিভিন্ন জিলাত চাৰিখনকৈ জনগোষ্ঠীয় সন্মিলন, অসম আৰু অৰুণাচল প্ৰদেশত সেতু বন্ধ যাত্ৰা, উৰিষ্যাৰ সম্বলপুৰত থকা লক্ষ্মীনাথ বেজবৰুৱাৰ গৃহীলৈ গৈ সেতু বন্ধ যাত্ৰা, স্বজাতীয় সাহিত্য সভা সমূহৰ ওপৰত সংহতিমূলক গ্ৰন্থ প্ৰকাশৰ আঁচনি, অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ এলেকাত অসম সাহিত্য সভাৰ শাখা গঠনৰ আঁচনি, অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি সেয়ে অসম সাহিত্য সভাৰ লগত সংপৃক্ত কৰিবলৈ আজীৱন সদস্য ভৰ্তি অভিযান আঁচনি প্ৰস্তুত কৰাৰ লগতে এখন স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ এখন ৰূপৰেখা প্ৰস্তুত কৰা হয়। সভাত অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ উপ-সভাপতি প্ৰকাশ কৈৰাল্লা, সহযোগী আহ্বায়ক দীপক হাজৰিকা, সুশীল চন্দ্ৰ ডেকা, স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ কাৰ্যকৰী সদস্য নৃপেন দাস, মোবিন আহমেদ, পূৰবী বৰুৱা ফুকন, ধকমান শ্ৰেষ্ঠ, আদি উপস্থিত আছিল। সভাৰ আৰম্ভণিতে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা, কৰ্ণধাৰ সমিতিৰ সদস্য ধীৰেন শৰ্মা, অসম সাহিত্য সভাৰ অনুবাদ সাহিত্যৰ আহ্বায়ক হৃদয়ানন্দ গগৈ আৰু স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ কাৰ্যকৰী সভাপতি বিপুল শৰ্মা বৰুৱাক ফুলাম গামোচা সম্বৰ্ধনা জনোৱা হয়। শলাগ জ্ঞাপন কৰে স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক ৰমেন ভৰালীয়ে।

# অসম সাহিত্য সভাৰ 'কেন্দ্ৰীয় আকাশ' অনুষ্ঠান

## ২৯ জুনত লখিমপুৰ বিশ্ববিদ্যালয়ত আয়োজন



**বিতোপন গগৈ, শিমলুগুৰি ঃ** অসম সাহিত্য সভাৰ বৰ্ণাঢ্য কাৰ্যক্ৰমৰ লগতে মহিলাসকলৰ প্ৰতিভাক অধিক বিকশিত আৰু প্ৰতিষ্ঠিত কৰাৰ লক্ষ্যৰে 'আকাশ' উপসমিতিৰ জৰিয়তে অনন্য ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়ে আহ্বায়িকা মানসী শইকীয়াই জানিবলৈ দিয়ে। অহা ২৯ জুনত নৰ্থ লখিমপুৰ বিশ্ব বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত বৰ্ণাঢ্য কাৰ্যসূচীৰ ভিতৰত সভাৰ স্বীকৃতিপ্ৰাপ্ত প্ৰতিখন জিলাৰ দুগৰাকী প্ৰবীণ সাহিত্যিক তথা সাংগঠনিক কৰ্মীক বিশেষভাৱে সম্মান জনাই 'আৰ্শীবাদ' যাত্ৰা আৰু আকাশৰ জিলা কাৰ্যকৰী সভাপতি আৰু আহ্বায়কসকলৰ সম্মিলন কাৰ্যসূচীৰ ৰূপায়ণ হ'ব। লক্ষীমপুৰ, ধেমাজী আৰু বিশ্বনাথ জিলা সাহিত্য সভাৰ সহযোগত ৰেখা ফুকনক সভাপতি, কুঞ্জ বুজৰবৰুৱাক কাৰ্যকৰী সভাপতি, ড° বৰ্ণালী বৰাক সম্পাদক হিচাবে লৈ বিভিন্ন উপ-সমিতিৰ এখনি বলিষ্ঠ আদৰণী সমিতি গঠন কৰা হৈছে। এই উপলক্ষে বিভিন্ন শাখাৰ সৈতে যোগাযোগ অভিযান চলি আছিল। যোৱা ৯ জুনত শিমলুগুৰি শাখাৰ এখনি জৰুৰী বৈঠক সভাপতি কবি বিতোপন গগৈৰ বাসগৃহত আয়োজন কৰি ৰাইজৰ, সদস্য-সদস্যাৰ সহযোগ কামনা কৰে। উক্ত সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী তথা উপ-সভাপতি ইন্দিৰা গগৈ ফুকনে, বন্তি প্ৰজ্বলন কৰে ৰেনু দুৱৰা ফুকন আৰু দশমী বৰবৰুৱাই। অতিথিসকলক সম্বৰ্ধনা জনোৱাৰ পিছতে বক্তব্য ৰাখে মানসী শইকীয়া, ৰেখা ফুকন, দীপ্তি ভূঞা আৰু মৃনালী বৰুৱাই। সভাত নিতুল বৰুৱাৰ গীত পৰিৱেশন কৰে। উপস্থিত থাকে সম্পাদক দিপক ইছলাৰী, শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে টংকেশ্বৰ গগৈ, ধনমনি চুতীয়া, পপী লাহন ফুকন, পল্লৱী বৰা, ৰশ্মিৰেখা বৰুৱা, ৰেখামনি হাতীৰুৱা, ৰীণা বৰা, ৰিজু গগৈ, জোনালী বৰা, মাইনী দুৱৰা, দৰ্শনা চুতীয়া আদি।


# পহুমৰা জাতীয় বিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস উদ্যাপন




**বুলমণি বৰি, লখিমপুৰ ঃ** পহুমৰা জাতীয় বিদ্যালয়ৰ উদ্যোগত ৫ জুন তাৰিখে দিনজোৰা কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদ্যাপন কৰা হয়। বিশ্ব পৰিৱেশ দিৱস উপলক্ষে পহুমৰা জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে অভিভাৱকসকলে পৰিৱেশ সুৰক্ষাৰ বাবে বিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰে। মুখ্য ৰোপক হিচাপে অংশগ্ৰহণ কৰে ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাক্তন জিলা সভাপতি তথা বৰ্তমান ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক কাউন্সিল সদস্য ফণীধৰ বৰুৱাই। তাৰ পিছতেই এখনি সজাগতা সভা অনুষ্ঠিত হয়। পহুমৰা জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰঞ্জিত পাৱে আঁত ধৰা সভাত সভাপতিত্ব কৰে ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাক্তন জিলা সম্পাদক ডিম্বেশ্বৰ গগৈয়ে। নিদিষ্ট বক্তা হিচাপে ফণীধৰ বৰুৱাই কয় যে বিশ্ব পৰিৱেশ দিৱস বুলিলে কেৱল গছ গছনি ৰোপণ কৰাকে নুবুজায়। যিহেতু আমাৰ পৰিৱেশ বায়ু প্ৰদূষণ জল প্ৰদূষণ ভূমি প্ৰদূষণৰ বাবেও বিভিন্ন সময়ত বিভিন্ন কাৰণত প্ৰদূষিত হৈ আহিছে। সুস্থ পৰিৱেশ এটাত সুস্থ জীৱন যাপন কৰিবলৈ হ'লে আমি আমাৰ পৰিৱেশ সমূহ নিজেই সুৰক্ষিত কৰি ৰাখিব লাগিব। আমি পলিথিন ব্যৱহাৰ নকৰি কাগজৰ বেগ ব্যৱহাৰ কৰি জলাশয় নলা নৰ্দমাত পেলনীয়া সামগ্ৰী পেলোৱাৰ পৰিৱৰ্তে ডাষ্টবিন ব্যৱহাৰ কৰি গছ গছনি ধ্বংস কৰাৰ পৰিৱৰ্তে গছ গছনি ৰোপণ কৰি মুঠতে দৈনন্দিন জীৱন ধাৰণত যাতে পৰিৱেশৰ একো ক্ষতি নহয় তাৰ বাবে সদায় সতৰ্ক হ'লেহে আমাৰ পৰিৱেশ সুন্দৰ আৰু সুস্থ হ'ব আৰু তেতিয়াহে বিশ্ব পৰিৱেশ দিৱস উদ্যাপন সাৰ্থক হ'ব বুলি তেখেতে ভাষণ প্ৰদান কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক কৃষক মৰ্চাৰ কোষাধ্যক্ষ জগদীশ গুপ্তা অনাতাঁৰ শিল্পী চম্পা বৰি শিঙৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি জিতু তাচা আৰু শিল্পী পৱিত্ৰ মৰাঙেও বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্যপূৰ্ণ বক্তব্য আগবঢ়ায়। ছাত্ৰ-ছাত্ৰীসকলৰ গীত মাত পৰিৱেশনেৰে অনুষ্ঠানভাগ সফল সামৰণি পৰে।

# ডুগডুগীয়ে আগবঢ়াইছে বিশেষ ৰেহাই

**বিশেষ সংবাদদাতা, নগাঁও ঃ** কেইবাটাও ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত জনপ্ৰিয় জুৱেলাৰী ডিজাইনাৰ তথা শুদ্ধ অসমীয়া কেঁচাসোণৰ প্ৰতিষ্ঠান 'ডুগডুগী'ৰ স্বত্বাধিকাৰী উৎপল বণিয়াৰ অহা ১৫ জুনত জন্মদিনৰ উপলক্ষে প্ৰতিবৰ্ষৰ দৰে এইবাৰো গছপুলি ৰোপণৰ কাৰ্যসূচী হাতত ৰখাৰ লগতে অহা ১৫ জুনৰ পৰা ২০ জুনলৈকে প্ৰত্যেকটো অসমীয়া গহণাৰ ছেটত ২০ শতাংশলৈকে ৰেহাই দিয়াৰ সিদ্ধান্তও হাতত লৈছে। তদুপৰি উৎপল বণিয়াৰ শুভকাংক্ষীসকলে আৰু ডুগডুগী প্ৰতিষ্ঠানখনক ভালপোৱাসকলে যদিহে ১৫ জুনত এটাকৈ গছপুলি ৰোপণ কৰি ফেচবুকৰ যোগেদি জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিব পাৰে। তেনেহ'লে গছপুলি ৰোপণ কৰাসকলক প্ৰত্যেকটো অসমীয়া গহণা ছেটত অতিৰিক্ত ১০ শতাংশলৈকে ৰেহাই প্ৰদান কৰা হ'ব বুলিও বনিয়াই জানিবলৈ দিয়ে। উল্লেখ্য যে ৰেহাই প্ৰদান কৰা দিন কেইদিনত বিক্ৰী হোৱা লাভৰ ৫০ শতাংশ যদিহে উপযুক্ত প্ৰমাণ সহকাৰে অসমৰ ভিন্ন জিলাত থকা ডুগডুগীৰ বিপণী সমূহলৈ কোনো পৰিয়ালৰ লোকে প্ৰেৰণ কৰিব পাৰে তেনেহ'লে সেইটো আগন্তুক বিয়াৰ তাৰিখ ঠিক হৈ থকা একেবাৰে দৰিদ্ৰ শ্ৰেণীৰ দহ গৰাকী কন্যাক একোটাকৈ অসমীয়া গহণাৰ ছেট উপহাৰ দিয়া হ'ব বুলিও জনায়।






Janasanyog RO no 580/25/13-June-25

# বালিঘোৰা চৰাই বা টি টি হোট

■ জ্যোৎস্না ৰাণী বেগম
পাঞ্জাবাৰী, গুৱাহাটী

অনান্য দেশৰ দৰে অসমতো বিভিন্ন প্ৰজাতিৰ পক্ষী পোৱা যায়। আমি কিছুমান চৰাই আকৌ ঋতুৰ পৰিৱৰ্তনৰ লগতহে অসমত বেলেগ বেলেগ দেশৰ পৰা প্ৰব্ৰজনকাৰী চৰাই হিচাপে আহি উপস্থিত হোৱা দেখা পাওঁ।

টি টি হুট, টি টি টি হুট, টি টি টি হুট... কৈ জোৰ জোৰ কৈ চিঞৰি চৰাই হাল আমাৰ মূৰৰ ওপৰেৰে উৰি যোৱা দৃশ্য অসমৰ গাঁও অঞ্চলৰ পথাৰবোৰত সহজলভ্য।

'ইহঁতে বাৰিষাকালত এনেদৰে 'টি টি টি হুত' 'টি টি টি হুত' 'টিত টিত টিত' কৈ জোৰেৰে চিঞৰি চিঞৰি পথাৰৰ আলিবোৰত জোৰেৰে দৌৰি ফুৰে। সেয়ে ইহঁতক 'টি টি হুত' চৰাই বুলিও কোৱা হয়। ইংৰাজীত ইহঁতক 'Red watled Lapwing' বুলি কোৱা হয়। পথাৰৰ পানী আলিত দৌৰি ফুৰে। ইহঁতে অনবৰতে অলপ অলপকৈ দৌৰি ফুৰে। ইহঁতৰ ঠোঁটখনৰ ওপৰত চকুৰ তলত ৰঙা এচটা ছাল ওলমি থাকে। সেয়ে ইহঁতক Red watled Lapwing বুলি কোৱা হয়। ইহঁতক ইংৰাজীত ইহঁতৰ মাতটোৰ অনুকৰণত 'Did he do it'' 'did he do it' .. 'did did did' বুলি কোৱা হয়। ভাৰতত তথা অসমত কেইবাটাও প্ৰজাতিৰ বালিঘোৰা চৰাই দেখা পোৱা যায়। তাৰ ভিতৰত বালিঘোৰা (Red watled Lapwing ) "Yellow watled Lapwing", 'কাচিয়লি (River Lapwing) ভাৰতত গোটেই বছৰ ধৰি দেখা যায়। অৱশ্যে Yellow watled Lapwing অসমত কাচিৎহে দেখা যায়। কাচিয়লি বা নদীৰ বালিঘোৰা চৰাই (River Lapwing) বোৰ নদীৰ পাৰৰ বালিচৰবোৰত দেখা যায়। শীতকালত কেইবাটাও প্ৰজাতিৰ বালিঘোৰা চৰায়ে ভাৰতৰ তথা অসমত পৰিভ্ৰমণ কৰে। তাৰ ভিতৰত উত্তৰৰ বালিঘোৰা (Northern Lapwing), ছাই মুৰিয়া বালিঘোৰা (Grey headed Lapwing) চৰাই অসমৰ বিভিন্ন জলাশয়, নদীৰ পাৰৰ বালিচৰ, মুকলি বাকৰি, পথাৰ আদিত শীতকালি দেখা পোৱা যায়। ইহঁত দেখিবলৈ বৰ ধুনীয়া চৰাই। উত্তৰৰ বালিঘোৰা চৰাইবোৰ দেখিবলৈ বৰ ধুনীয়া। ইহঁতৰ মূৰত এদাল দীঘল টিকনি থাকে আৰু গাৰ পাখিবোৰ কজলা বৰণ ৰ আৰু ৰ'দৰ পোহৰত চিকচিকাই থাকে। ইহঁতক শীতকালত চেপ্তেম্বৰ ১ পৰা মাৰ্চ এপ্ৰিল মাহ পৰ্যন্ত দেখা পোৱা যায়। ...

আমাৰ অসমৰ এই বালিঘোৰা চৰাইবোৰ (Red watled Lapwing) বাৰিষা কালত পথাৰত হাল বাবলৈ যোৱা লোকসকলৰ অতি চিনাকি। পথাৰত হালোৱাই পুৱাই অকলে হাল বাওতে মাটিৰ পৰা ওলোৱা বিভিন্ন পোক পৰুৱা, পতংগ আদি এই বালিঘোৰা চৰাইবোৰে খাই পথাৰৰ আলিবোৰত খৰ খৰ খোজেৰে দৌৰি দৌৰি 'টি টি টি হুত' 'টি টি টি হুত' কৈ চিঞৰি থকা দৃশ্য প্ৰায়েই দেখা পোৱা যায়। কেতিয়াবা কেতিয়াবা গছৰ গুটি আদিও খায়।

ইহঁতে পথাৰৰ বা জলাশয়ৰ দাঁতিৰ বালিচহীয়া মাটিত সৰুকৈ গাত খান্দি কণী পাৰে আৰু উমনি দি পোৱালি জগায়। ইহঁত অতি সংবেদনশীল চৰাই। ইহঁতৰ কণী পৰা ঠাইৰ ওচৰলৈ যদি মানুহ, কুকুৰ, মেকুৰী আদি বিপদজনক কিবা যোৱা দেখিলে ইহঁতৰ মতা চৰাইটোৱে ডেউকা ভাগি পৰি থকাৰ দৰে আচৰণ কৰে। তেতিয়া তাক ধৰিবলৈ কুকুৰ মেকুৰী বা মানুহ তাৰ ওচৰলৈ গ'লে আকৌ ধপধপাই বাহটোৰ দূৰত পুনৰ পৰি পুনৰ ডেউকা ভগাৰ দৰে আচৰণ কৰে। আকৌ তাক ধৰিবলৈ গ'লে সি পুনৰ উঠি আকৌ দূৰত পৰেগৈ। এইদৰেই সিহঁতে শত্ৰুক বাহটোৰ পৰা আঁতৰাই লৈ যায়। ইতিমধ্যে যদি বাহত পোৱালি আছিল তেন্তে মাইকী চৰাইজনীয়ে সিহঁতক দূৰলৈ আঁতৰাই লৈ যায়। বা যদি কণী থাকে তেন্তে বালিৰে বাহটো ঢাকি পেলায়। এইদৰেই সিহঁতে নিজৰ বাহৰ কণী বা পোৱালিৰ সুৰক্ষা কৰে। ... অসমত এটা লোক কথা চলি আহিছে যে, এই চৰাই বিধে কণী উম দিয়াৰ সময়ত ঠেং দুখন ওপৰলৈ কৰি পিঠিখন কণীত দি উম লয়। কাৰণ সিহঁতৰ কণীবোৰ ওপৰৰ পৰা আকাশখন খহি পৰি কণীবোৰ ভাঙি পেলাব বুলি ধাৰণা কৰে। এই কথাখিনিৰ সত্যতা কিমান আছে সেইটো দৃঢ়ভাৱে কোৱাটো কঠিন।

প্ৰজনন কৰাৰ সময়ত মাইকী বালিঘোৰা চৰাইজনীক মতা বালিঘোৰা চৰাইবোৰে পাখি ফুলাই মাইকীজনীক আকৰ্ষণ কৰিবলৈ চাৰিওফালে ঘূৰে। ইহঁতে মাটিত গাঁত সাজি তিনিটা চাৰিটা লৈ কণী পাৰে আৰু কনীবোৰ বগা কলা ফুটুকী ৰঙৰ হয়।

এই বালিঘোৰা চৰাইবিধে পশ্চিম এছিয়াৰ ইৰাক, ইৰাণ আৰু দক্ষিণ এছিয়াৰ আফ্ৰিকাৰ, পাকিস্তান, ভাৰতত প্ৰজনন কৰে।

আজিকালি গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে শীতকালীন পৰিভ্ৰমণ কৰা বালিঘোৰা চৰাইবোৰৰ সংখ্যা কমি গৈছে। আমাৰ অসমৰ থলুৱা এই বালিঘোৰা চৰাইবোৰ ও বৰ্তমান উপযুক্ত বংশবৃদ্ধিৰ স্থানবোৰ মানুহে ধংস কৰাৰ বাবে কমি গৈছে। আমি সকলোৱে এই ধুনীয়া চৰাইবোৰৰ সংৰক্ষণৰ বাবে সজাগতা ৰ সৃষ্টি কৰিব লাগিব। নহ'লে ভৱিষ্যতে আমি এই ধুনীয়া চৰাইবোৰ কিতাপৰ পাততহে দেখা পাম।


**ম'বাইল ঃ ৭০৮৬৪-৩৭৮৭৬**

# শিৱসাগৰ নগৰত বিশ্ব পৰিৱেশ দিৱসৰ উপলক্ষ্যত বাটৰ নাট 'নদীৰ অসুখ' প্ৰদৰ্শন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে শিৱসাগৰ জিলাতো বিশ্ব পৰিবেশ দিৱস উপলক্ষে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু বন বিভাগ তথা শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগত শিৱসাগৰ নগৰৰ মাজমজিয়াত অতি সুন্দৰভাৱে চমু কাৰ্যসূচীৰে এই দিনটো উদ্‌যাপন কৰা হয়। উল্লেখযোগ্য যে, সাংস্কৃতিককৰ্মী দিবাকৰ চুতীয়াই আঁত ধৰা পৰিৱেশ দিৱসৰ অনুষ্ঠানত পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ প্ৰতি সাধাৰণ মানুহৰ সজাগতা বৃদ্ধিৰ বাবে নাট্যকৰ্মীসকলে 'নদীৰ অসুখ' নামৰ এখনি বাটৰ নাট প্ৰদৰ্শন কৰি সমবেত দৰ্শকক আপ্লুত কৰে। বাটৰ নাটখনিৰ পৰিকল্পনা আৰু পৰিচালনা হিন্দু জ্যোতি গগৈৰ। অভিনয়ত আছিল জানমণি তামুলী, দুলুমণি বৰদলৈ, দীপক দুৱৰা, তুলিকা দুৱৰা, মৃণাল ৰঞ্জন গগৈ, ৰাতুল গগৈ, ৰিদিপ গগৈ, মনালিছা ফুকন বকুল। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ জিলাৰ অতিৰিক্ত আয়ুক্ত গীতালী দুৱৰা, সংগীত শিল্পী ৰাতুল কাকতি, বন প্ৰাধিকৰণ বিষয়া নয়ন জ্যোতি ৰাজবংশী, জিলা সাংস্কৃতিক উন্নয়ন বিষয়া মুনমী শ্যাম, প্ৰশান্ত গগৈ আদি। অনুষ্ঠানত সমবেত দৰ্শকক বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি বন বিভাগৰ তৰফৰ পৰা একোটাকৈ গছপুলি উপহাৰ দিয়া হয়। আনহাতে নগৰৰ মাজমজিয়াতে অনুষ্ঠানটো সুচাৰুৰূপে সম্পন্ন হোৱাত যানবাহন আৰক্ষীৰ বিষয়াসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা যায়।

# নগাঁও জিলা পুথিভঁৰালত মহিলা শিল্পীৰ দ্বাৰা সফল মঞ্চায়ণ 'জেৰেঙাৰ সতী'



**জয়ন্ত মুদৈ, নগাঁও ঃ** বিশ্ব পৰিৱেশ দিৱসৰ দৰে পবিত্ৰ দিনটোৰ সন্ধিয়া নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত টাই আহোম পৰিষদৰ মহিলা কোষৰ দ্বাৰা বিশিষ্ট সাহিত্যিক সৌজন্যময়ী ভট্টাচাৰ্যৰ দ্বাৰা ৰচিত নাটক 'জেৰেঙাৰ সতী' মঞ্চস্থ কৰা হয়। সমাজ সেৱিকা নিৰুপমা গোহাঁই আৰু ৰূপালী বৰকঠীয়াৰ পৰিকল্পনা তথা নগাঁও জিলাৰ আহোম সভাৰ প্ৰযোজনাত নাট্যশিল্পী গগন চৌধুৰীৰ সুদক্ষ পৰিচালনাৰে মঞ্চস্থ কৰা নাটকখনে দৰ্শকক আপ্লুত কৰিবলৈ সক্ষম হয়। অসম বুৰঞ্জীৰ এটি ঐতিহাসিক চৰিত্ৰ জয়মতী কুঁৱৰীৰ স্বামীৰ প্ৰতি থকা প্ৰেম, দেশ প্ৰেমৰ লগতে ত্যাগ আৰু আত্ম বলিদানৰ সুন্দৰ উপস্থাপনেৰে ৰচিত নাটখনত পতিব্ৰতা নাৰী জয়মতী কুঁৱৰীৰ মহানতাক বেছ সাৱলীলভাৱে মনোগ্ৰাহী ৰূপত তুলি ধৰিবলৈ সক্ষম হৈছে। নাটখনত প্ৰতিগৰাকী মহিলা শিল্পীৰ পৰাই পৰিচালক গগন চৌধুৰীয়ে সুন্দৰ মনপৰশা অভিনয় আদায় কৰিবলৈ সমৰ্থ হয়। নগাঁও জিলা আহোম সভাৰ সম্পাদক মহেন্দ্ৰজিৎ বৰুৱাৰ ব্যৱস্থাপনাত মঞ্চায়ণ কৰা নাটকখনিত নিৰুপমা বুঢ়াগোহাঁই, ৰূপালী বৰকঠীয়া, ৰঞ্জু লাহন, দিপ্তী তামুলী, ৰুমী শইকীয়া, তৃষ্ণা গোহাঁই, বিবি বৰগোহাঁই, দিপালী বৰা, জ্যোতি বৰা, ময়ুৰী লিগিৰা, প্ৰভা বৰা, দীপা বৰুৱা, মালামণি বৰুৱা, মৃদুলা বৰা, পাৰুল লিগিৰা, স্বতিকা গোহাঁই, ৰুনু দাস, কবিতা বৰা, মীনাক্ষী ডেকা, দুৰ্বা ডেকা আৰু পৰিস্মৃতা হিমা চৌধাৰীৰ লগতে শিশু শিল্পী ঋতৃক শইকীয়া, দেৱাংগী হাজৰিকা আৰু দেইজী গিৰিয়ে অভিনয়ত ভাগ লোৱাৰ বিপৰীতে নাটখনৰ সহকাৰী পৰিচালক মৌচম বৰা, সঙ্গীত গুণকান্ত দাস, পোহৰ ৰাজেন ফুকন, মঞ্চ সজ্জা বসন্ত গোহাঁই আৰু ৰূপসজ্জা শিৱসিংহ ফুকনৰ। ইফালে, নাটখনি মঞ্চস্থ হোৱাৰ পূৰ্বে বিশিষ্ট সমাজ সংগঠক ঠগীত চন্দ্ৰ বৰুৱা আৰু চন্দন গগৈ আদি কেইবাজনো লোকৰ উপস্থিতিত মঞ্চ উদ্বোধন কৰে নগাঁও জিলা আহোম সভাৰ সভাপতি ড' দীনেশ হাজৰিকাই। লগতে উদ্যোক্তাসকলৰ ফালৰ পৰা নাটখনৰ কলা-কুশলীৰ লগতে বিশিষ্ট নাট্যকৰ্মী ধ্ৰুৱজ্যোতি বৰা, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈ, সৌজন্যময়ী ভট্টাচাৰ্যৰ দুই সুযোগ্য সন্তান কবি, লেখক অশোক ৰাম ভট্টাচাৰ্য আৰু নাট্যকাৰ আলোক ৰাম ভট্টাচাৰ্যৰ লগতে কেইবাজনো ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

# বলীয়া বানে কাঢ়ি নিলে কামপুৰৰ জংগম বহুমুখী সমবায় সমিতিৰ আশাৰ সপোন

## কেইবা লাখ টকাৰ মাছ, তিল, মৰাপাটৰ খেতি বিনষ্ট




**জয়ন্ত মুদৈ, নগাঁও ঃ** শেহতীয়াভাৱে অহা বছৰৰ প্ৰথমটো প্ৰলয়ংকৰী বানে নগাঁও জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ বহু অঞ্চল প্লাৱিত কৰি বিস্তৰ ক্ষতিসাধন কৰিছে। বিশেষকৈ কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বহুকেইখন গাঁও বানৰ কৱলত পৰাত গঞা ৰাইজে ত্ৰাহি মধুসূদন সোঁৱৰিছে। বলীয়া বানৰ কৱলত পৰি কৃষি পথাৰ বিনষ্ট হোৱাৰ বিপৰীতে বানত উটি গ'ল বহুতৰে আপোন ঘৰখন। মুঠৰ ওপৰত এতিয়া বহু পৰিয়ালৰ নাজল-নাথল অৱস্থা। ইয়াৰ মাজতে কামপুৰৰ জুমৰমুৰ অঞ্চলৰ পশ্চিম কাৰৈমাৰীত থকা জংগম বহুমুখী সমবায় সমিতিৰ বত্ৰিছ গৰাকী পুৰুষ-মহিলাৰ জীৱনলৈ প্ৰলয়ংকৰী বানে নমাই আনিলে চৰম বিপৰ্যয়। চাকৰিৰ আশা বাদ দি কৃষিকৰ্ম আৰু মীন পালনৰে স্বনিয়োজনৰ দিশে আগবঢ়া সমবায়খনৰ এইসকল পুৰুষ-মহিলাৰ জীৱনলৈ এতিয়া নামি আহিছে অমানিশা। আচলতে, ৰাজ্যত নিবনুৱা সমস্যাই উন্নয়নৰ গতি স্থবিৰ কৰি তোলাৰ সময়তে সমবায়ভিত্তিক এইসকল থলুৱা পুৰুষ-মহিলাই সাত বিঘা মাটিত পুখুৰী খান্দি মাছ পালন কৰাৰ লগতে ন বিঘা মাটিত তিল আৰু চাৰি বিঘা মাটিত মৰাপাটৰ খেতি কৰিছিল। কিন্তু স্ব-নিৰ্ভৰশীল হ'ব খোজা জংগম বহুমুখী সমবায় সমিতিৰ সদস্য-সদস্যাসকলে এনেদৰে বানত সকলো হেৰুৱাই সম্প্ৰতি দিশহাৰা হৈ পৰিছে। কিয়নো পুখুৰীৰ পাৰ ছিঙি বাঢ়নী পানীয়ে উটুৱাই নিলে কেইবা লাখ টকাৰ মাছৰ লগতে তিল আৰু মৰাপাটৰ খেতি। ফলত সৰ্বস্ব হেৰুৱাই অসহায় হৈ পৰিছে এইসকল অসমীয়া নিবনুৱা পুৰুষ-মহিলা। একপ্ৰকাৰে কামপুৰৰ জুমৰমুৰ অঞ্চলৰ জলাশয়ত পোহা মাছৰ লগতে পথাৰত তিল আৰু মৰাপাটৰ খেতি কৰা বৃত্তিমুখী অসমীয়া পুৰুষ-মহিলাই বানৰ কৱলত সকলো হেৰুৱাবলগীয়া হোৱাত হাহাকাৰ সৃষ্টি হৈছে। সেয়ে, সমবায়খনৰ সভাপতি ৰাজীৱ হাজৰিকা, উপ-সভাপতি অনন্ত দাস আৰু সম্পাদক ভূপেন নাথৰ লগতে সচেতন লোকসকলে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ প্ৰতি এইসকল দুৰ্ভগীয়াক সাহায্য প্ৰদানৰ দাবী জনাইছে।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ দ্বাদশ প্ৰতিষ্ঠা দিৱস পালন

## পাঠ্যক্ৰম বৃত্তিমুখী কৰাৰ পোষকতা শিক্ষা উপদেষ্টা দেৱব্ৰত দাসৰ




**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ উচ্চ শিক্ষাৰ অনুষ্ঠান মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ দ্বাদশ প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে বিশ্ববিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। পুৱা ১০ বজাত পতাকা উত্তোলন কৰি প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে। বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকাবাপে। ইয়াৰ পিছতে ১১ বজাৰ পৰা বিশ্ববিদ্যালয়খনৰ প্ৰেক্ষাগৃহত এখনি সভাৰ আয়োজন কৰা হয়। বন্তিপ্ৰজ্বলন, বিশ্ববিদ্যালয়ৰ সংগীতেৰে আৰম্ভ হোৱা আনুষ্ঠানিক সভাত আদৰণি ভাষণ আগবঢ়ায় বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° শৰৎ হাজৰিকাই। ভাষণত তেওঁ বিশ্ববিদ্যালয়খনৰ বিগত বৰ্ষৰ এক চমু খতিয়ান দাঙি ধৰে। অনুষ্ঠানত অংশলৈ বিশ্ববিদ্যালয়ৰ আচাৰ্য ভৱেন্দ্ৰনাথ ডেকাই বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ পটভূমিৰ উল্লেখ কৰি, শংকৰদেৱক কিদৰে বিজ্ঞানসন্মত দৃষ্টিৰে জনমানসত প্ৰতিষ্ঠা কৰাব পাৰি সেই সম্পৰ্কে মন্তব্য আগবঢ়ায়। ইয়াৰ পিছতে অনুষ্ঠানত উপস্থিত থাকি ভাষণ আগবঢ়ায় অনুষ্ঠানৰ বিশিষ্ট অতিথি ৰাজ্য চৰকাৰৰ শিক্ষা উপদেষ্টা (উচ্চ শিক্ষা) অধ্যাপক দেৱব্ৰত দাসে। তেওঁ কয় - অসমৰ জাতীয় জীৱনৰ ভেঁটি গঢ়োতা শংকৰদেৱ গুৰুজনাৰ নীতি আদৰ্শৰে প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বৌদ্ধিক ক্ষেত্ৰৰ বিশেষ অবদান মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়। এঘাৰ বছৰীয়া এই কম সময়ৰ যাত্ৰাত বিশ্ববিদ্যালয়খনে এক পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। শংকৰদেৱৰ অমূল্য সৃষ্টিৰাজিক গৱেষণাধৰ্মীতাৰে আগুৱাই নিবলৈ গৱেষকসকলে প্ৰয়াস কৰক।' ভাৰতীয় উচ্চ শিক্ষা ব্যৱস্থাৰ সম্পৰ্কে ভাষণ আগবঢ়োৱাৰ প্ৰসংগত তেওঁ আৰু কয় যে পাঠ্যক্ৰমসমূহ বৃত্তিমুখী হ'ব লাগে। বৃত্তিমুখী মানে কেৱল চাকৰিয়েই নহয়। বৃত্তিমুখিতাৰ সৈতে জড়িত হৈ থাকিব লগীয়া গুৰুত্বপূৰ্ণ বিষয়টো হ'ল কৌশল। এই বৃত্তিমুখী পাঠ্যক্ৰম আৰু কৌশলৰ সংমিশ্ৰণতহে শিক্ষাৰ্থীয়ে নিজকে আগুৱাই নিবলৈ সক্ষম হ'ব। ইয়াৰ পিছতে, বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগৰ বাৰ্ষিক মুখপত্ৰ 'দাপোণ'ৰ অষ্টম সংখ্যাটি উন্মোচন কৰে উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে। উল্লেখযোগ্য, বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য হিচাপে যোগদান কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰাধ্যাপক অশোক কুমাৰ বৰাই নিজা মন্তব্য আগবঢ়োৱাৰ লগতে নগাঁও জিলাৰ জিলা উন্নয়ন বিষয়া দেৱযানী চৌধুৰীও উপস্থিত থাকি মন্তব্য আগবঢ়ায়। অনুষ্ঠানত অংশলৈ বিশ্ববিদ্যালয়খনৰ সমন্বয়ক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ পৰা আৰম্ভ কৰি আইন প্ৰস্তুত কৰাৰে পৰা দ্বাদশ বৰ্ষত ভৰি দিয়া এই দীৰ্ঘসময়ৰ স্মৃতি ৰোমন্থন কৰি ৰাজ্য চৰকাৰৰ বলিষ্ঠ প্ৰদক্ষেপক কৃতজ্ঞতা জনায়। বিশ্ববিদ্যালয়খনৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° জয়ন্ত মাধৱ তামুলীয়ে পৰিচালনা কৰা অনুষ্ঠানত অনুষ্ঠানটো সফলতাৰে সামৰণি পৰাত সকলোকে ধন্যবাদ জ্ঞাপন কৰে প্ৰতিষ্ঠা দিৱস উদ্‌যাপন সমিতিৰ সভাপতি ড° হৰেকৃষ্ণ বৰা আৰু আহ্বায়িকা ড° ৰিমঝিম বৰুৱাই। অনুষ্ঠানত নগাঁও মহাবিদ্যালয়ৰ (স্বঃ) অধ্যক্ষ ড° পুলিন বৰা, অসমীয়া বিভাগৰ অৱসৰী অধ্যাপক ড° দীপক বৰা, ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সঙ্গীতা বৰা, হিন্দী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° কৰবী দেৱী, এ ডি পি মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° সোণাৰাম নাথ, ৰামানুজন কণিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰা, শ্ৰীমন্ত শংকৰদেৱ শিক্ষা আৰু আৰ্থ সামাজিক বিকাশ ন্যাসৰ সভাপতি প্ৰফুল্ল চন্দ্ৰ বৰা, থ্ৰিঃ এণ্ড ক্ৰেডিট কো-অপাৰেটিভ ছ'চাইটি লিমিটেডৰ অধ্যক্ষ হৰেন্দ্ৰ বৰাৰ লগতে নগাঁও চহৰৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তি, বিশ্ববিদ্যালয়খনৰ বিষয়া-কৰ্মচাৰী, অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে।

# চকলাঘাটৰ ক্ষেত্ৰীগাঁও নামঘৰত এজাক কণমাণিৰ মন পৰশা অভিনয়ৰে মঞ্চস্থ অংকীয়া নাট 'ৰুক্মিণী হৰণ'

## দোভাগ নিশালৈকে উপভোগ কৰিলে সহস্ৰাধিক জনতাই



**জয়ন্ত মুদৈ, নগাঁও ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ অমৰ সৃষ্টি অংকীয়া নাট 'ৰুক্মিণী হৰণ'। জগত গুৰুজনাৰ এই নাটখনি নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটৰ ক্ষেত্ৰীগাঁও নামঘৰত স্বাধীনতা আন্দোলনৰ পূৰ্বৰে পৰা একাধাৰে প্ৰতিবছৰে কণ কণ শিশুসকলৰ দ্বাৰা প্ৰদৰ্শিত হৈ আহিছে। জানিব পৰা মতে, গাঁওখনৰ এই পৰম্পৰাই এইবাৰ সগৌৰৱে ১৩৬ বছৰত পদাৰ্পণ কৰিছে। স্মৰ্তব্য যে, এই চকলাঘাটৰ ক্ষেত্ৰীগাঁৱত ১৮৮৯ চনত এক অচিন ৰোগে মহামাৰীৰ ৰূপ ধাৰণ কৰিছিল। এজন লোকক সৎকাৰ কৰি উভতাৰ পিছত আন এজনৰ মৃত্যু হৈছিল। আতংকিত হৈ পৰা গাঁওবাসীক এই মহামাৰীয়ে বেছ চিন্তিত কৰি তুলিছিল। সেই সময়তে এগৰাকী ব্যক্তিয়ে সপোনত দেখিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত 'ৰুক্মিণী হৰণ' অংকীয়া নাটখন মঞ্চস্থ কৰিলে গাঁওবাসীয়ে এই আতংকৰ পৰা পৰিত্ৰাণ পাব। সেইমতেই কাম। সেই সপোনৰ পম খেদি সেই বছৰে জেঠ মাহৰ এই বিশেষ দিনটোত গঞাৰাইজে দিনত নাম-কীৰ্তন কৰি নিশালৈ অনুষ্ঠিত কৰিছিল গুৰু অংকীয়া 'ৰুক্মিণী হৰণ' নাটখনি। ঠিক তেতিয়াৰ পৰাই প্ৰতি বছৰে সেই পৰম্পৰা অক্ষন্ন ৰাখি আজিও গাঁওখনত প্ৰদৰ্শন কৰি অহা হৈছে 'ৰুক্মিণী হৰণ' অংকীয়া নাটখনি। তদ্ৰূপ সেই সাতামপুৰুষীয়া পৰম্পৰাক সাৰোগত কৰি এইবেলিও দেওবাৰে বিশাল আয়োজনেৰে অংকীয়া নাটখনি মঞ্চস্থ কৰা হয়। ইয়াৰ পূৰ্বে, এক উখল-মাখল পৰিৱেশত পুৱাৰ ভাগত অনুষ্ঠিত হোৱা জলাৰোহণ কাৰ্যসুচীত শতাধিক ৰাইজৰ অংশগ্ৰহণেৰে আয়তীসকলে হাতত কলচি লৈ পদব্ৰজে সমগ্ৰ অঞ্চল পৰিভ্ৰমণ কৰাৰ লগতে হৰিনামৰ অমল ধ্বনিৰে মুখৰিত হৈ পৰে স্থানীয় অঞ্চলৰ আকাশ-বতাহ। দুপৰীয়া নাম-কীৰ্তনৰ অন্তত সন্ধিয়া গাঁওখনৰ প্ৰতিঘৰৰ পদূলিত বন্তি প্ৰজ্বলন কৰাৰ পিছত নিশালৈ কণ কণ শিশু সকলৰ দ্বাৰা অংকীয়া নাটখনি প্ৰদৰ্শন কৰা হয়। এজাক কণমাণিৰ মন পৰশা অভিনয়ৰে মঞ্চস্থ হোৱা নাটখনি উপভোগ কৰি আপ্লুত হৈ পৰে সহস্ৰাধিক দৰ্শক। জনশ্ৰুতি মতে, পূৰ্বপুৰুষৰ দিনৰে পৰা চলি অহা এই নাটখনিত ৰাইজে মনৰ পৰা যি বিচাৰে সেই ফল সিদ্ধি হয় বুলি এক লোকবিশ্বাস প্ৰচলিত হৈ আহিছে। সেয়ে প্ৰচণ্ড গৰমৰ মাজতো দিনযোৰা এই কাৰ্যসূচী সমূহত বিভিন্ন অঞ্চলৰ পৰা ভক্তপ্ৰাণ ৰাইজৰ সমাগম হয়। একপ্ৰকাৰে ক্ষেত্ৰীগাঁও নামঘৰত প্ৰতিবছৰে শিশুসকলক লৈ অনুষ্ঠিত হোৱা এই অংকীয়া নাট প্ৰদৰ্শনৰ দ্বাৰা নৱ প্ৰজন্মৰ মাজত ভক্তিৰ এক জাগৰণ সৃষ্টি কৰি অহাটো প্ৰশংসনীয় দিশ হিচাপে চিহ্নিত হৈছে।

# বেবেজীয়াত কবি-গীতিকাৰ কেশৱ বৰাৰ নৱতম গ্ৰন্থ 'পালতৰা সোঁৱৰণিৰ ছাঁ' উন্মোচন



**জয়ন্ত মুদৈ, নগাঁও ঃ** বিশিষ্ট কবি, গীতিকাৰ তথা কথাশিল্পী কেশৱ বৰাৰ নৱতম গ্ৰন্থ 'পালতৰা সোঁৱৰণিৰ ছাঁ' শনিবাৰে উন্মোচন কৰা হয়। এই মৰ্মে, নগাঁও জিলাৰ বেবেজীয়াস্থিত ভোগেশ্বৰ হাজৰিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখনি সভা অনুষ্ঠিত কৰা হয়। সভাত সোণাই উপত্যকাৰ এছোৱা সময়ৰ সমাজ-সভ্যতাৰ আলোকত খণ্ডিত জীৱন চিত্ৰ প্ৰতিফলিত কৰা এই গ্ৰন্থখনি আনুষ্ঠানিকভাৱে শুভ উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ তথা কুজিদাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অশোক কুমাৰ বৰঠাকুৰে। গ্ৰন্থখনি উন্মোচন কৰি দিয়া ভাষণত প্ৰাক্তন অধ্যক্ষ বৰঠাকুৰে কেশৱ বৰাৰ ছাত্ৰাৱস্থাৰ কষ্টকৰ জীৱন সংগ্ৰামৰ বিষয়ে আলোকপাত কৰি সেই সংগ্ৰামেই কেশৱ বৰাক এনেধৰণৰ উচ্চ খাপৰ ৰচনা শৈলীৰে গ্ৰন্থ সৃষ্টি কৰিবলৈ সাহস দিলে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। সুলেখক তথা গ্ৰন্থখনৰ প্ৰকাশক প্ৰাঞ্জল মহন্তই আঁত ধৰা সভাখনিত আমন্ত্ৰিত অতিথি হিচাপে বেবেজীয়াৰ ভোগেশ্বৰ হাজৰিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ উপেন বৰা, বিশিষ্ট লেখক, মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মিলেশ্বৰ পাটৰ, গল্পকাৰ শিৱানন্দ কাকতি, ৰহাৰ বুনিয়াদী শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ অৱসৰী অধ্যক্ষা তথা লোক সংস্কৃতিৰ গৱেষক ড° নিৰলা দেৱীয়ে ভাগ লৈ কেশৱ বৰাৰ দৰে নিজৰ জন্মভূমিৰ গ্ৰামাঞ্চলৰ সূক্ষ্ম গান্ধীৰ মাজত থাকি প্ৰচাৰ বিমুখ হৈ সাহিত্য চৰ্চাত ব্ৰতী হোৱাৰ বাবে উচ্চ প্ৰশংসা কৰি তেখেতৰ নিৰৱচ্ছিন্ন সাধনাই অসমীয়া সাহিত্য জগতক উদ্ধৃত কৰা বুলি মন্তব্য কৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনিত চিন্তাশীল ব্যক্তি ভাস্কৰজ্যোতি মহন্ত, কবি ৰাজেন বৰা, দ্বীজেন্দ্ৰ নাথ হাজৰিকা, সাংস্কৃতিক কৰ্মী জিলমিল বৰদলৈ, বিধান ডেকা, ৰূপম সেনাপতি, কৃতী শিক্ষকৰ বঁটাপ্ৰাপ্ত লক্ষ্মীনাৰায়ণ বৰা, কবি ভাগ্য শইকীয়া, শিল্পী যুগস্মিতা ভূঞা বৰা, কবি সঞ্জীৱ সাগৰ চৌধুৰী, প্ৰতিভাৱান কণ্ঠশিল্পী অভিজিৎ ৰাগ, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈ, প্ৰাঞ্জল বৰদলৈ, লেখক কেশৱ বৰাৰ পুত্ৰ প্ৰাঞ্জল প্ৰতীম বৰা, বোৱাৰী গীতুমনি বৰা, নাতিনী কলাপি ৰঞ্জিকা বৰা, ভতিজী ৰাজকুমাৰী বৰা, নাতি ঋষিকেশ বৰা, ভগ্নী মীৰা ডেকা, ভনী জোঁৱাই ভৱানন্দ ডেকাকে প্ৰমুখ্য কৰি শতাধিক লোক উপস্থিত থাকে।

# ড্ৰাইভাৰ-হেণ্ডিমেনৰ জীৱন

■ ফুকন কৈৱৰ্ত
ৰামপুৰ, কামৰূপ, অসম।

ড্ৰাইভাৰ-হেণ্ডিমেনবোৰো আমাৰ দৰে মানুহ। তেওঁলোকৰো সতি-সন্ততি থাকে। পৰিয়ালৰ পোহপালতেই সপোনে অহৰহ জীৱন ছবি আঁকে এনেবোৰ শ্ৰমজীৱি মানুহৰ। আমি ভাবি নাচাও বা জানিব নিবিচাৰো যে তেনে জীৱনবোৰৰ ভিতৰৰ মানুহবোৰৰ দুখৰ সীমনা কিমান। দোকমোকালিতে উঠি দিনটোৰ বাবে বাহনখন পৰীক্ষা কৰা, চাফা কৰা আদি কামতেই তেওঁলোকৰ ৰাতিপুৱাৰ সূৰুযে পোহৰ পঠিয়ায়। দিনৰ দিনটো অথবা ৰাতিপুৱাৰেপৰা ৰাতি দুপৰলৈকে তেওঁলোকৰ কৰ্মময় ব্যস্ততাই আকাশ চুমিব খোজে। কিন্তু তেনে লোকসকলৰ শ্ৰমৰ মৰ্যাদা কিমান তাত প্ৰশ্নৰ অৱতাৰণা হোৱাটো স্বাভাৱিক। দিনৰ দিনটো যাত্ৰীৰ লগত কথাৰ কটাকটি, ভাড়া বিবাদ এইবোৰটো আছেই এসোপামান দুখৰ বোজা দিবলৈ।

সন্তানসকলে বৈ থাকে যে সিহঁতবোৰো ড্ৰাইভাৰ হেন্দিমেনৰূপী দেউতাকবোৰ আহিব আৰু সিহঁতবোৰক মৰম আদৰৰ উমেৰে সাৱটি ল'ব। কিন্তু ভবামতে সৰি নপৰে সপোন। বুকুৰ কামিহাড় ভাগি যোৱাকৈ উপাৰ্জন কৰিও সন্তানস্নেহৰ যি নিৰ্ভেজাল সুখ তাৰপৰা বঞ্চিত হয় এইসকল শ্ৰমজীৱি মানুহ। পঢ়াৰ সুব্যৱস্থা, জীৱনৰ ৰূপৰেখা প্ৰস্তুতৰ যি আলেখ-লেখ সেইখিনিৰ তদাৰক কৰাৰপৰাও বঞ্চিত হয় এইজাক মানুহ। সন্ধ্যা হ'লেই এটুপি যোগাৰত ব্যস্ত হৈ পৰা বুলি দুৰ্নাম অৰ্জা এই শ্ৰেণীটোৰ জীৱন সংগ্ৰামৰ মাত্ৰাই আজি বহু পৰিয়ালক হয়তো উটুপাইচে। ড্ৰাইভাৰ-হেণ্ডিমেন বুলি ক'লেই আৰু এটা কথা সঘনাই মনলৈ আহে যে তেওঁলোকৰ জীৱন উদ্‌যাপনৰ সময় ক'ত অনুকূল-প্ৰতিকূল বতৰক নেওচি, মালিকৰ দাবী ধমকিত চলি যায় তেওঁলোকৰ জীৱনৰ গাড়ী। যাত্ৰীসকলৰ বাবে তেওঁলোক ঈশ্বৰৰ সমান বিশ্বাসী। জাৰে-জহে, বিপদে-আপদে যাত্ৰাকালৰ তেওঁলোকেইতো সকলোৰে জীৱন সাৰথি।

ম'বাইল ঃ ৯৬১৩৪-৯১৪৮৯

## কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা

অনন্ত কুমাৰ ভূঞা

এতিয়া কিমান ৰাতি
পূৰ্ণিমাৰ জোনাকে নাজানে,
খাটিখোৱা মানুহৰ চোতালত বহি,
উজাগৰী নিশা সপোন ৰচা
ৰণুৱা বনুৱা হালোৱা হজুৱাৰ শিল্পী সৈনিক
তুমি কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা,
প্ৰণাম যাচিছোঁ তোমাক,
তুমিয়েই গাইছিলা
'বিশ্বৰ ছন্দে ছন্দে
মহানন্দে আনন্দে
নাচা তমোহৰ দেউ নাচা।'
সংস্কৃতিৰ বৰ ঘৰৰ পূজাৰী,
কেচা মাটিৰ গোন্ধৰ সুৱাসিত শিল্পী,
কৃষ্টিৰ পথাৰত নৱ নৱ সৃষ্টিৰে
তুমি বঙহৰ দেউ বিষ্ণু প্ৰসাদ ৰাভা
ঢাকা চহৰ জন্মভূমি,
তেজপুৰ কৃষ্টি সৃষ্টি সংস্কৃতিৰ কৰ্ম্মভূমি,
অসম মাতৃ জীৱন সংগ্ৰাম ভূমি,
তুমিয়েই লিখিছিলা
'সুৰৰে দেউলৰে
ৰূপৰে শিকলি
ভাঙি দিলি খুলি
দুৱাৰ সোণোৱালী
পূজাৰী অ'
সুন্দৰ পূজাৰী।'
বাহাদুৰ গোপাল চন্দ্ৰ দাসৰ পুত্ৰ,
গেঠিবালা ৰাভা মাতৃ তোমাৰ,
আভিজাত্যৰ প্ৰতীক বিদ্যমান,
আলোক সন্ধানী প্ৰাণ,
জনতাৰ আপোন মানুহ,
জীৱন যুদ্ধৰ অক্লান্ত সৈনিক-
তেজপুৰ বিধান সভা সমষ্টিৰ
বিধায়ক হৈছিলা তুমি বিষ্ণু প্ৰসাদ ৰাভা
তুমিয়েই গাইছিলা
'মোৰ জীৱনৰ আকাশতে
ইন্দ্ৰ ধনু গঢ়িম
সাত ৰঙেৰে মীনা কৰাই
যতনেৰে তৰিম।'
বাণ থিয়েটাৰত
শিল্পী জীৱনৰ কঠিয়া সিঁচিলা
বাঁহী আৱাহন কাকতত
সজাল ধৰিছিল তেজস্বী মন,
গেঁৰ ফুটিছিল প্ৰতিধ্বনি আৰু চিৰাজ
বোলছবিৰ অভিনয়ত,
জয়মতী ছবিত
ৰূপকোঁৱৰৰ সহযাত্ৰী তুমি,
এইয়াই মনিকাঞ্চন 'বিষ্ণুজ্যোতি'
আৰু এদিন
'এৰা বাটৰ সুৰ' উপহাৰ দিলা জনতাক
তুমিয়েই লিখিছিলা
'মোৰ কবিতাৰ ছন্দ লাগি
স্পন্দন তোৰ জাগেনে?
কথা মালিকাৰ গন্ধ লাগি
সোণৰ সপোন ভাগে নে?'
নৱ চেতনাৰ বিপ্লৱী বীৰ,
শিল্পী সৈনিক মুক্তিকামী জনতাৰ,
ফণী শৰ্মাৰ লগত
সপোন দেখিছিলা সদাগৰ হোৱাৰ।
অৰঙে দৰঙে
বহু নিশা কটাইছিলা জুপুৰী ঘৰত,
সুৰধ্বনি বাজিছিল গভীৰ নিশা
কৃষ্টিৰ সৃষ্টি বহল পথাৰত,
একাধাৰে কবি, সাহিত্যিক, নাট্যকাৰ, অভিনেতা,
চিত্ৰ শিল্পী, মুক্তিযোদ্ধা, বিপ্লৱী বীৰ,
শিল্পী সৈনিক তুমি বিষ্ণু প্ৰসাদ ৰাভা,
শঙ্কৰদেৱৰ চিত্ৰ অঙ্কন কৰিলা,
তুমিয়েই গাইছিলা
'ভাঙ ভাঙ ভাঙ
লোহাৰ কিলি ভাঙ
ছিঙ ছিঙ ছিঙ ছিঙ
দাসৰ বান্ধোন ছিঙ।'
তুমি সুন্দৰৰ পূজাৰী,
সংস্কৃতিৰ ৰূপান্তৰৰ প্ৰহৰী
তাণ্ডৱ নৃত্যৰ বাবে গৰ্বিত চৰ্চিত তুমি,
বানাৰস হিন্দু বিশ্ববিদ্যালয়ত
'কলা গুৰু' সন্মানেৰে বিভূষিত
বিষ্ণু প্ৰসাদ ৰাভা,
তুমি বিপ্লৱী সত্বাৰ অধিকাৰী,
সাম্যবাদ মন্ত্ৰৰ গৰাকী
কাৰগাৰৰ মজিয়াৰ সোৱাদ পোৱা
কাৰাবন্দী বিষ্ণু প্ৰসাদ ৰাভা
'হাল যাৰ মাটি তাৰ'
মহা মন্ত্ৰৰে সমৃদ্ধ তুমি
পৈতৃক ভূমি সম্পত্তি দান দিলা কৃষকক,
তুমিয়েই ৰচিছিলা
'ব'ল ব'ল ব'ল ব'ল
কৃষক শক্তিৰ দল।
অ' বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ ব'ল।'
বিশ জুন তাৰিখ ১৯৬৯ বৰ্ষ
মৰ্ম্মাহত, বিমৰ্ষ, বিষন্ন সময়,
জাগতিক শৰীৰ মুক্তি লভাৰ শেষ ক্ষণ,
চিতাৰ ধোঁৱাই
কন্দুৱাইছিল আপোন জনতাক
অনন্ত ধামলৈ গুচি গ'ল
জনতাৰ শিল্পীজন,
বিষ্ণু ৰাভা, তুমি হেৰাই যাব নোৱাৰা অতীত
প্ৰাণৰ আপোন কলাগুৰু,
জনতাৰ শিল্পী তুমি
এৰি গ'লা গীতৰ সুৰ
চিন থৈ গ'লা ৰাভা সংগীতৰ শুৱলা ধাৰা
এনেদৰে গাই গলা গীত
'পৰ জনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা
পুৰাবানে প্ৰিয়ে এই জনমৰ
মোৰ হিয়াৰ অপূৰ্ণ আশা।'

## প্ৰিয় কদম

আয়েশা ছিদ্দিকা (আছৰি)
বাংলিপাৰা, বৰপেটা

তোমাৰ প্ৰেমত মত্ত মই বৈৰাগীনী
বাৰিষাই যেতিয়া ভূপৃষ্ঠ চুমেহি
তোমালৈ বৰকৈ পৰে মনত
তোমাৰ সুগন্ধি মাখি বাউলী হৈ
খৰাং হৃদয় গচকি ফুৰো..
মই তোমাৰ প্ৰেয়সীজনী হৈ
অনুৰাগৰ আধা ফুটা কথা
বুনাই এমাখা অভিমান জমাই জমাই
খিৰিকিৰ চুকত ৰওঁ
আঁচলৰ আৰত তোমাক চোৱাৰ ভংগীৰে..
বাৰিষালৈ মোৰ বৰ খং বুজিলা
তোমাক কোমল মলীন দেহৰ ভাঁজ
স্পৰ্শ কৰি কিয় নিগৰে
তোমাৰ সুৱাস গাত সানি
কিয় ধূলিসাৎ কৰে ক্ষণতে....
যৌৱনৰ প্ৰথম প্ৰেম তুমি
অনুভূতিৰ অংকুৰিত ভাৱনাৰ
জয়ৰ পূৰ্ণতাৰ চিত্ৰ
তোমাক আলিংগন কৰাৰ বাসনা লৈ
মই যে প্ৰতি ক্ষণ অপেক্ষা কৰো....
মোৰ কামনা বাসনাৰ
দীঘল তালিকা খনৰ তুমিয়েই
সীমান্তৰ পৰিধিৰ অন্তিম
তুমি অবিহনে মই কল্পনাকো
কল্পনা কৰিবলৈ হাক দিওঁ...।

**ম'বাইল ঃ** ৯৩৬৫৬-৮১৯৬৮

## শিলৰ নিপিন্ধা হৃদয় পিন্ধালা

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

শিলৰ নিপিন্ধা হৃদয় পিন্ধালা তুমি
এখন অশ্ৰুৰ সাগৰ সাঁতুৰি-নাদুৰি
আকৌ পালোঁ মই আন এখন অশ্ৰুৰ সাগৰ
যাৰ নীলাভ ঢৌবোৰে চুমি যায় হৃদয়ৰ গড়া।
মনটোৱে হৃদয়খনে নিৰ্জন শিলটোক ক'লে
শিল কবৰ ইতিহাসৰ কথা।
শিলটোৱে বতাহজাকক ক'লে-
আড়ষ্ট হৈ উঠিল বতাহজাক,
শিলটোত মাতাল বতাহজাক ঠেকা খায়
হৃদয়খনত খুন্দিয়ালেহি ভাঙি নিও কৰি।
তেনেতে এজাক বৰষুণ আহিল প্ৰেমৰ
জুৰুলি-জুপুৰি দি তিতিলো মই।
বতাহজাকে মোক কাণে কাণে ক'লে
ঠিকনা লাগে নেকি?
মই ক'লো প্ৰেমৰ বেলেগ ঠিকনা নাই
হৃদয়েই প্ৰেমৰ আটোলটোল ঘৰ।
হঠাৎ হৃদয়খন ফাটি-চিটি যাওঁ কৰিলে
অনুঃস্বৰত মই কৈ উঠিলো
তোমাৰ হৃদয়খন ইমান নিষ্ঠুৰ শিলৰ দৰে?

**ম'বাইল ঃ** ৯৪০১৮-৭৬৭২৮

## লিমাৰিক- ১

**অনামিকা (সংগীতা) কলিতা**
শুৱালকুছি

ম'বাইলটো হাতত পৰিলেই ভাই
সি থাকিলেই কোনো বন্ধু নালাগে পাই
অনুভূতি ছাৰখাৰ
মনবোৰ হাঁহাঁকাৰ
তাক আমি অকণমান নিদিও ঠাই।

**লিমাৰিক- ২**

মদাহীয়ে ঘৰবোৰত কৰে অশান্তি
সাত্বিক মানুহে পাই জীৱনত শান্তি
অমৃত বাণী বিলাই
শুদ্ধপথ দেখুৱাই
তেনেলোকৰ সঙ্গতহে মিলে প্ৰশান্তি।

**লিমাৰিক- ৩**

জেঠমাহত বহুত গৰম পৰিছে
আম-কঁঠাল মোক খা মোক খা কৰিছে
বতৰৰ খাই ফল
পাই শৰীৰত বল
ককাঁ-নাতিয়ে একলগে ফল খাইছে।

**লিমাৰিক- ৪**

সদায় ৰাতিপুৱাই কৰিবা প্ৰাৰ্থনা
ৰাখিবাই ইশ্বৰক ঘৰৰ থাপনা
তুমি শান্তিৰে থাকিবা
তুমি অশান্তি নানিবা
সুখ-সমৃদ্ধিৰে ভৰিব নাই যাতনা।

## ব্ৰহ্মাণ্ড শক্তিৰ প্ৰভাৱ

**মুজাম্মেল হক,** গুৱাহাটী

**লিমাৰিক**

(১)

নাপালে সৎ বন্ধু থকা ভাল অকলে
নিজ ছাঁ হ'লে বন্ধু নালাগে দলে-বলে
কথা সুধি-সুধি ৰখা
দুষ্ট-বুদ্ধি বন্ধু মখা
চলনাৰে নীচলৈ টানে বগৰাবলে।

(২)

সাৱধান-সাৱধান লগ-সমনীয়া
ব্ৰহ্মাণ্ড শক্তিৰ আৰাধনা যুগমীয়া
সেই শক্তি হৃদয়ত
ৰাখিলে স্থিৰ মনত
হ'ব ফুটা কৰা জন পলাব লগীয়া।

## এবুকু নীৰৱ জোনাক

**মৃদুলা বৰুৱা,** তেজপুৰ

বহু নিসংগতাৰ পাছত
মোৰ অসমাপ্ত কবিতাবোৰত
তোমাৰ এমুঠি মৰমৰ বাসনা,
মই নজনাকৈয়ে
তুমি বিয়পি পৰিছা মোৰ বুকুত
এজাক ৰঙীন সপোন হৈ,
শূন্যতাই মেৰিয়াই থোৱা সময়বোৰো
এতিয়া তোমাৰ নামত উৎসৰ্গা,
ক'ব নোৱাৰাকৈয়ে
মোৰ অনুকম্পিত আঙুলিকেইটা
ম'বাইল স্ক্ৰীনত থমকি ৰয়
টাইপ কৰোঁ মোৰ ঘন উশাহবোৰ,
দুটি ওঁঠত কোনেও নুশুনা সুৰত
বৈ যায় এবুকু নীৰৱ জোনাক
আৰু মোৰ মনৰ পদূলিত
শেৱালীৰ দৰে গোন্ধাই থাকা তুমি।

## জীৱন আগুৱাই যায়...

**দেৱজিত হাজৰিকা,**
নগাওঁ

সময়বোৰ চোন
আগুৱাই যায় সংগোপনে
যৌৱনৰ মাদকতা চোন
ধীৰে ধীৰে হেৰাই যায়
অন্তহীন আশাবোৰ যে
নিতৌ বাঢ়ি বাঢ়ি যায়।

পোৱা নোপোৱাৰ দোমোজাতেই
জীৱনৰ ৰথ আগুৱাই
দিনক দিনে এই ভ্ৰষ্টাচাৰ
হিংসা, লুণ্ঠন, হত্যা বাঢ়ি যায়
কেতিয়াকৈ যে পাব জনতাই
আকৌ শান্তি ঘূৰাই।

আশাৰ প্ৰছাঁয়াতেই
আমিবোৰ যে আছোঁ জীয়াই
শীতৰ বোকোচাত সৰি গ'লেও
কুঁহিপাত আকৌ ওলায়
নতুন জীৱনৰ আশাতেই বন্দী
আমি যে নিৰুপায়।

## সমাজ

**নৱজ্যোতি বৰ্মন**
নিউ গোৱালপাৰা

সমাজ যেন দাপোন
অসংখ্য প্ৰতিবিম্ব
মানুহৰ প্ৰতি দৃষ্টিভংগী
আৰু প্ৰতিবিম্বৰ প্ৰকৃতি।
লক্ষ্যবস্তুৰ স্থানৰ লগে লগে
যেনেকৈ সলনি হয় প্ৰতিবিম্বৰ
আকাৰ আৰু প্ৰকৃতি।
ঠিক একে দৰেই মানুহৰ সলনি হয়
প্ৰকৃতি, ব্যক্তিগত মুনাফাৰ ওপৰত নিৰ্ভৰ কৰি
কি আচৰিত
সৎ হ'লে ওলোটা ব্যৱহাৰ
তাচ্যিল্য, এলাগী, তিৰস্কাৰ
আৰু অসৎ হ'লে?
অসৎ প্ৰতিবিম্ব যেনেকৈ থিয়
এইদৰে আজিৰ সমাজত
এইসকলেই মূৰ ডাঙি
নেতৃত্বৰ শাৰীত অগ্ৰজ
অসৎ আৰু থিয়।
দাপোনৰ যি নিয়ম
এয়াই চাগে প্ৰকৃতিৰ নিয়ম।
মানি চলে সমাজে
গতানুগতিক এই ধাৰা...
প্ৰৱাহ মাথোঁ ধ্বংসৰ ফালে
যেন এয়ে সত্য, চিৰন্তন সত্য...।

**ম'বাইল ঃ** ৯১০১২-১৪০৭৮

*প্ৰথম পৃষ্ঠাৰ পৰা*

## ঐক্য, সমন্বয় আৰু সহনশীলতাৰ মাজেৰেহে বৈচিত্ৰ্যৰ মাজত ঐক্য সম্ভৱ

ধৰ্মীয়, আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনত সত্ৰসমূহে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তন কৰি ধৰ্ম আৰু সংস্কৃতিৰ চৰ্চা কৰিবৰ বাবে হৰিগৃহ বা নামঘৰ স্থাপন কৰি সত্ৰৰ বীজ ৰোপন কৰিছিল। সেই বীজৰপৰাই সত্ৰানুষ্ঠানৰ জন্ম হৈছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীশ্ৰীদামোদৰ দেৱ, শ্ৰীশ্ৰীহৰিদেৱ আৰু অন্যান্য গুৰুসকলৰ দ্বাৰা প্ৰতিষ্ঠিত এই সত্ৰানুষ্ঠানসমূহ অসমৰ জাতীয় জীৱনৰ প্ৰাণৰ স্পন্দন বুলি তেওঁ কয়। অসমৰ সত্ৰসমূহৰ সন্মুখত এক প্ৰত্যাহ্বানে দেখা দিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীশ্ৰীদামোদৰদেৱ আৰু শ্ৰীশ্ৰীহৰিদেৱ প্ৰভৃতি গুৰুসকলৰ আশীৰ্বাদপুষ্ট এই সমূহক কোচ ৰাজন্যবৰ্গ আৰু আহোম কছাৰী ৰজাসকলে ভূমিদান অথবা অন্যান্য সহায়েৰে প্ৰতিপালন আৰু উৎকৰ্ষ সাধন কৰিছিল। মুখ্যমন্ত্ৰীয়ে কয় যে সত্ৰসমূহৰ সমস্যাৰাজি পূৰ্বে তৃণমূল পৰ্যায়লৈ গৈ অধ্যয়ন কৰা হোৱা নাছিল। আনকি সত্ৰ ভূমিৰ সম্পৰ্কত সুগভীৰ আলাপ-আলোচনাও হোৱা নাছিল বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যৰ সত্ৰ আৰু মন্দিৰসমূহৰ লগত জড়িত ভূমিসমূহ উভতাই লৈ যি আইন প্ৰণয়ন কৰা হৈছিল সেই ভূমি উভতি আহিলেও সংৰক্ষণৰ ব্যৱস্থাটো গঢ় লৈ উঠা নাছিল। তেওঁ লগতে কয় যে মন্দিৰ, সত্ৰ, নামঘৰ দেৱোত্তৰ ভূমিৰ আইনৰ অধীনত সত্ৰৰ ভূমি সুৰক্ষিত নহ'ল। সেই সময়ত এই ভূমি কাৰোবাৰ নামত পট্টন হ'ল আৰু যিসকল ৰায়তী আছিল তেওঁলোকে বিক্ৰী কৰাৰ পিছত সেই ভূমিৰ ওপৰত সন্দেহজনক নাগৰিকসকলে সত্ৰৰ চৌপাশে বহিবলৈ আৰম্ভ কৰিলে। তেওঁলোকে নদীপথৰ কাষত থকা অঞ্চলসমূহত নিজৰ সভ্যতা গঢ়ি তুলিছিল। ইয়াৰ ফলত সত্ৰৰ চাৰিওফালে আন এটা সংস্কৃতি গঢ় লৈ উঠিছিল। কিন্তু নতুন সংস্কৃতি আৰু পুৰণি সংস্কৃতিৰ মাজত কোনো ধৰণৰ বুজাবুজি নোহোৱা বাবে সত্ৰৰ চৌপাশে গঢ় লৈ উঠা সংস্কৃতি সত্ৰ সংস্কৃতিৰ অনুকূল হৈ নাথাকিল। তেওঁ লগতে কয় যে ঐক্য, সমন্বয় আৰু সহনশীলতাৰ মাজেৰেহে বৈচিত্ৰ্যৰ মাজত ঐক্য সম্ভৱ। সত্ৰৰ লগত মাটি নাই, মাটিৰ ওপৰত অধিকাৰ নাই, কোনো উৎপাদনমুখী ব্যৱস্থাও নাই বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰী দান-বৰঙণি আৰু শিষ্যৰ দান-বৰঙণিৰে সত্ৰসমূহ জীয়াই আছে। সত্ৰসমূহৰ চৌপাশে জনগাঁথনিৰ পৰিৱৰ্তনৰ বাবে ভক্ত যাব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। ভাষণ প্ৰসংগত তেওঁ কয় যে বৰপেটা, পাটবাউসীকে ধৰি কেইখনমান সত্ৰৰ পৰিৱৰ্তন অনাৰ বাবে চৰকাৰে পদক্ষেপ লৈছে। তেওঁ লগতে কয় যে ৯২২ খন সত্ৰলৈ পৰিৱৰ্তন অনাটো হিমালয় সদৃশ কাম। আজি সত্ৰসমূহ যি অৱস্থাত থাকিব লাগিছিল তেনে অৱস্থাত নাই। সত্ৰসমূহলৈ ৰাইজৰ দান-বৰঙণি অহাটো দ্ৰুত গতিত কমি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে সত্ৰৰ পৰিৱৰ্তন অনা ইয়াৰ ভেটি শক্তিশালী কৰা, ভক্ত আৰু সামাজিক অনুষ্ঠানৰ মাধ্যমেৰে কিদৰে পৰিৱৰ্তন অনাটো সম্ভৱ হ'ব সেই কথা চিন্তা কৰাৰ সময় আহিছে। সত্ৰৰ উপাৰ্জন বৃদ্ধি কৰাৰ বাবে আন কেতবোৰ ব্যৱস্থা কৰিব লাগিব বুলি উল্লেখ কৰি তেওঁ কয় যে যুৱপ্ৰজন্মক জড়িত কৰি সত্ৰসমূহলৈ উদ্যমিতা আনিব লাগিব। সত্ৰসমূহক ৰূপান্তৰমুখী কৰিব লাগিলে যুৱপ্ৰজন্ম আগুৱাই আহিব লাগিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সত্ৰ সমিতিৰ প্ৰতিবেদনে নতুন দিশ মুকলি কৰিব। তেওঁ কয় যে সত্ৰ অনুষ্ঠানক জীয়াই ৰাখিবলৈ আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক সহযোগিতাৰো প্ৰয়োজনীয়তা আছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে সত্ৰ আয়োগ গঠন কৰিব। এই আয়োগে পূৰ্ণাংগৰূপ পালে সত্ৰসমূহলৈ আইনগত, আৰ্থিক সহযোগিতাকে ধৰি বিভিন্ন সহায়-সহযোগিতা প্ৰদান কৰিব পৰা যাব। তেওঁ লগতে কয় যে প্ৰতিখন সত্ৰৰ সৈতে বৈঠক অনুষ্ঠিত কৰি ২৫ বছৰীয়া পৰিকল্পনা গ্ৰহণ কৰিব ৰাজ্য চৰকাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে সত্ৰসমূহৰ বাবে বহনক্ষম ব্যৱস্থা এটা গঢ়ি তোলাৰ বাবে আঁচনি প্ৰস্তুত কৰিব লাগিব। তেওঁ লগতে কয় যে অসমীয়া যুৱপ্ৰজন্মৰ সংখ্যা হ্ৰাস পোৱাটো এক চিন্তনীয় বিষয়। শিক্ষানুষ্ঠানসমূহতো জনগাঁথনিৰ পৰিৱৰ্তনে স্পৰ্শ কৰিছে। সম্পূৰ্ণ বিজ্ঞানসন্মতভাৱে বাস্তৱৰ মুখামুখি হৈ সমস্যা সমাধান কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানত কৃষি আদি বিভাগৰ মন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, অসম সত্ৰ আয়োগৰ সভাপতি তথা বিধায়ক প্ৰদীপ হাজৰিকা, আয়োগৰ সদস্যদ্বয় তথা বিধায়ক মৃণাল শইকীয়া আৰু ৰূপক শৰ্মাৰ উপৰি ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

## মৰিগাঁও জিলাত অংগনবাড়ী কৰ্মীলৈ স্মাৰ্টফোন বিতৰণ কাৰ্যসূচীত মন্ত্ৰী পীযুষ

নেতৃত্বত ৰাজ্য চৰকাৰে অসমক উন্নত ৰাজ্যলৈ ৰূপান্তৰ কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰি আছে। বিগত চাৰিটা বছৰত সম্পূৰ্ণ নিকা পদ্ধতিৰে অভিলেখসংখ্যক ডেৰ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি প্ৰদান কৰাটো মুখ্যমন্ত্ৰীৰ অন্যতম কৃতিত্ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মন্ত্ৰী হাজৰিকাই লগতে অৰুণোদয়কে ধৰি চৰকাৰৰ জনকল্যাণমূলক কামসমূহৰ বিষয়েও উল্লেখ কৰে। জলসম্পদ বিভাগৰ মন্ত্ৰীগৰাকীয়ে মৰিগাঁও জিলাখনত বান নিয়ন্ত্ৰণৰ বাবে কাম কৰি সফলতা লাভ কৰা বুলিও উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত থকা মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কৌশিক ৰায়েও বক্তব্য ৰাখি ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনৰ জনকল্যাণমূলক আঁচনিসমূহৰ আভাস দিয়ে। অনুষ্ঠানত দুয়োগৰাকী মন্ত্ৰীয়ে অংগনবাড়ী কৰ্মী আৰু সহায়িকসকলক আৰু অধিক দায়বদ্ধতাৰে ৰাজ্যৰ শিশু, গৰ্ভৱতী মহিলা আৰু প্ৰসূতি মাতৃসকলৰ কল্যাণৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে অংগনবাড়ী কেন্দ্ৰসমূহৰ কাৰ্যক্ষমতা বৃদ্ধিৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে অংগনবাড়ী কৰ্মীসকলক স্মাৰ্টফোন প্ৰদান কৰি থকা হৈছে। এই স্মাৰ্টফোনৰ সহায়ত কৰ্মীসকলে শিশুৰ শিক্ষা, পুষ্টি আদি সন্দৰ্ভত তথ্য সংগ্ৰহৰ উপৰি অন্যান্য আনুষংগিক কামসমূহ সহজভাৱে সম্পাদন কৰিব পাৰিব।

## শুৱালকুছিত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন ২০২৫

চৰকাৰে যোগান ধৰা পুষ্টিকৰ খাদ্য, শিক্ষাৰ লগত জড়িত বিভিন্ন আহিলা পাতি বিনামূলীয়াকৈ বিতৰণ কৰি আহিছে, তদুপৰি ৰাইজৰ মাজত সজাগতা আনিবলৈ সময়ে সময়ে বিভিন্ন কাৰ্যসূচীৰে হাতত লৈ আহিছে। এই বেলি অনুষ্ঠানটোত কৰ্মৰত ইলা ভৰালী ডেকাৰ তত্ত্বাৱধানত বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি অভিভাৱক মাহ পালন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে শুৱালকুছি গাঁৱৰ কেইবাগৰাকী সমাজ সচেতন ব্যক্তি আৰু আই মাতৃৰ সহযোগত পথৰ দাঁতিত গছক পুলি ৰোপণ কৰা হয়। অনুষ্ঠানটোত উপস্থিত থাকে প্ৰজাপিতা ইশ্বৰীয় বিশ্ববিদ্যালয়ৰ সেৱিকা (শাখা শুৱালকুছি) ফাল্গুনী বেহেনজী, অঙ্গনবাদী কেন্দ্ৰৰ মুখ্য সেৱিকা অমিয়া বেগম, পশ্চিম শুৱালকুছি গাঁও পঞ্চায়তৰ সদস্যা টুটুমণি বৈশ্য, সমাজ সেৱক কল্প দেউৰী, সমাজ সেৱিকা লেখিকা অনামিকা (সংগীতা) কলিতা, সাংবাদ কৰ্মী হৰিপ্ৰসাদ দাস, প্ৰেমদা বৈশ্য, সাধনী দাস, প্ৰমীলা বৈশ্য, ৰুণু বৈশ্য, কল্যাণী বৈশ্য আদি কৰি বহু কেইগৰাকী আই মাতৃ। ইয়াৰ পিছত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয় য'ত অমিয়া বেগম ডাঙৰীয়ানীয়ে বিশ্ব পৰিবেশ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে লগতে শিশুৰ যত্ন কিদৰে ল'ব লাগে তাৰ ওপৰত এক সুন্দৰ ভাষণ আগবঢ়ায়, ফাল্গুনী বেহেনজীয়ে পৰিৱেশ সুন্দৰ কৰি ৰখাৰ লগতে মনৰ পৃথিৱীখন কিদৰে সুন্দৰ কৰি ৰাখিব পাৰি আধ্যাত্মিক ভাষণেৰে আইমাতৃসকলক আপ্লুত কৰে। অনামিকা (সংগীতা) কলিতাই প্লাষ্টিক মুক্ত পৃথিবীৰ লগতে পৰিয়ালৰ পৰিৱেশৰ ওপৰত সন্তানৰ বৌদ্ধিক বিকাশ কিদৰে নিৰ্ভৰ কৰে, শিশুৰ পিতৃ-মাতৃসকলৰ দায়িত্ব কেনে হোৱা উচিত এক সুন্দৰ ভাষণেৰে সকলোকে মোহিত কৰে। শেষত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি মাৰে।

# সংঘৰ্ষৰ বতাহ যেতিয়া বলে

■ **দুলুমণি দেৱী,** মাকুম

**স**মাজত সংঘাত, সংঘৰ্ষ, সম্পৰ্ক সকলোবোৰ দৃশ্যমান হয়। সংঘাত থাকিবই জীৱন বাটত, কিন্তু সেই সংঘাতে যেতিয়া জটিল ৰূপ ধাৰণ কৰে তেতিয়াই সম্পৰ্কত খেলিমেলিৰ সৃষ্টি হয় আৰু সেই সম্পৰ্ক মধুৰ কৰি তুলিবলৈ বহু সময়ৰো দৰকাৰ।

সংঘৰ্ষৰ বতাহজাক যেতিয়া বলে তেতিয়াই হিংসুক প্ৰবৃত্তিবোৰে গা কৰি উঠে আৰু সেই বতাহে জীৱন বাটত অগাভেটা কৰাৰ উপৰিও অনান্য বহুত দিশত হেঙাৰৰূপে থিয় দিয়ে। সংঘৰ্ষই দেখা দিলে মানুহৰ মাজত নানা চিন্তাই ঠাই লয়। মানুহৰ মাজত থকা মৰম, স্নেহ, ভালপোৱাবোৰত আঘাত সানে। সংঘাত, সংঘৰ্ষ সমাজৰ প্ৰত্যেক স্তৰৰ ব্যক্তিৰ মাজতে থাকে বা থাকিবই কিন্তু তাক নিয়ন্ত্ৰণৰ বাহিৰত যাবলৈ দিলেই অৰাজকতাই গা কৰি উঠাৰ সম্ভাৱনাই বেছি প্ৰকট হৈ পৰে।

বিশ্বৰ ইতিহাসৰ পাত লুটিয়াই চালে দেখিম যে বিভিন্ন সময়ত সমাজ, দেশ, তথা জাতিৰ মাজত সংঘাত হৈ আহিছে। ভাৰতে স্বাধীনতা লাভ কৰাৰ আগৰ আৰু পাছৰ পৰ্যায়লৈ যদি মন কৰো তাতো আছে বহু সংঘাত। স্বাধীনতাৰ আগত ইংৰাজে ভাৰতীয়সকলক কৰা বৰ্বৰ আক্ৰমণ, অত্যাচাৰ সকলো সহিও জাতীয়তাবোধৰ মনোভাৱ সকলো ভাৰতীয়ই মনত পোষণ কৰি ইংৰাজৰ বিৰুদ্ধে থিয় দিয়াৰ বাবে আজি আমি স্বাধীনভাৱে চিৰসেউজ অসমী আইৰ বুকুত সগৌৰৱেৰে জিলিকি থাকিব পাৰিছো। ঠিক তেনেকৈ স্বাধীনতাৰ পাছতো বিভিন্ন সংঘাতৰ মুখামুখি হৈ আহিছে। সকলো ভাৰতীয়ই একগোট হৈ প্ৰৱল আক্ৰমণকো বাধা দিব পাৰে। আৰু তেতিয়াই সম্প্ৰীতিৰ এনাজৰীডাল মজবুত হয়। স্নেহৰ পৃথিৱীত আমি সকলোটি একেজন ঈশ্বৰৰ সন্তান। এই মনোভাৱ যদি সকলোৰে অন্তৰত থাকিলে হয় তেতিয়া ভেদাভেদ মনোভাৱে ঠাই নাপালেহেতেঁন আৰু নিজৰ মাজত আত্মসন্তুষ্টি থাকিব লাগিব।

বহিঃশত্ৰুৱে আক্ৰমণ কৰিলে তাৰ উচিত প্ৰত্যুৎওৰ দিবই লাগিব, সেই সংঘাতে কেৱল মানুহকে নহয় সমগ্ৰ প্ৰকৃতিৰ ওপৰতো প্ৰভাৱ পেলাব। চৰাই চিৰিকতিবোৰেও নীৰলে কথা পাতে। সিহঁতো ভয়ত পেপুৱা লাগে। দেশত কৰ'নাৰ দৰে ভাইৰাছে দেখা দিছিল সকলোৰে মনৰ মাজত চিন্তাই টৌ তুলিছিল। ঠিক তেনেকৈ কা আন্দোলনৰ সময়তো দেশত যি পৰিস্থিতি হৈছিল তাৰ লগতো মোকাবিলা কৰিবলৈ সকলোৱে চেষ্টা অব্যাহত ৰাখিছিল। গতিকে বৰ্তমান পৰিস্থিতিতো সবল প্ৰচেষ্টাৰে আমি নিশ্চয় জয়ী হ'ম।

যি কি নহওঁক সংঘাত, সম্পৰ্ক, সন্দেহ এই সকলোবোৰ জীৱন বাটত থাকিবই তাৰ মাজত স্নেহৰ বন্ধন কটকটীয়া কৰিব লাগিব। চিৰসেউজ এটি মনে চিৰসেউজ এটি পথৰ সন্ধান দিয়ে। অলেখ সপোন ৰৈ আছে জীৱন বাটত, হেঁপাহৰ দিকচৌ বাটত, পোহৰৰ পথত খোজ পেলাবলৈ হ'লে শান্তিৰ এক পৰিবেশ লাগিবই। সেই শান্তিৰ কথা এজন বা কেইজনমানে ভাবিলেই নহ'ব বা এখন দেশে ভাবিলেই নহ'ব। প্ৰত্যেক দেশেই, প্ৰতিজন ব্যক্তিৰ মনতে উদয় হ'ব লাগিব, তেতিয়াহে বিশ্বশান্তি হ'ব। তেতিয়াহে সাজিব পাৰিম সুখৰ একোটি ঘৰ সম্প্ৰীতিৰ নতুন কৰচ। আমি আশাবাদী তেনে দিন নিশ্চয় আহিব। জাতীয় মনোভাৱে যেতিয়ালৈকে সকলোৰে অন্তৰত থাকিব তেতিয়ালৈ শান্তি থাকিব।

**ম'বাইল ঃ** ৯৬৭৮১-৬৪৯৭৪

# গ্ৰীষ্ম বন্ধ আৰু কিছু কথা

■ **হিয়া শৰ্মা,** মঙ্গলদৈ মহাবিদ্যালয়

**গো**লাপ ফুলৰ গোন্ধ, দিলে গৰমৰ বন্ধ.... এটা চিনাকী শাৰী আৰু সীমাহীন আনন্দ। জুনৰ শেষৰ ফালে ছমহীয়া পৰীক্ষাৰ টৌ। তাৰ পাছতেই বহু প্ৰতীক্ষিত গৰমৰ বন্ধ। মনবোৰ যেন উখল মাখল আঙুলিৰ মুৰত গণনা আৰম্ভ হয় আৰু কিমান দিন বাকী জুনৰ শেষ হ'বলৈ? পৰিকল্পনা আৰম্ভ হয় কেনেকৈ কটাম এই এমাহ, ক'ত যাম, কি কৰিম সকলোবোৰৰ চিন্তাৰ শেষ নাই। প্ৰচণ্ড গৰম ৰ বাবে এই এটা মাহ বন্ধ ৰখা হয় বিদ্যালয়সমূহ। ছয়মাহিলী পৰীক্ষা পাৰ হৈ কেলেণ্ডাৰৰ বুকুত আহি ধৰা দিয়ে জুনৰ অন্তিম তাৰিখে। আগদিনাই ঘোষণা কৰি আগদিনাই ঘোষণা কৰি দিয়ে, 'কালিলৈ স্কুল ৰাতিপুৱা হ'ব'। ৰাতিপুৱা মানে ৭ বজাত গৈ স্কুলত হাজিৰ হ'ব লাগিব আৰু গৈ শিক্ষকে দিয়া গৃহ কৰ্মখিনিৰ লগতে এমাহৰ বাবে বন্ধু সকলৰ পৰা বিদায় লৈ হাঁহিমুখেৰে ঘৰলৈ অহা সঁচাই বৰ সোণোৱালী সময়। বন্ধৰ দিনকেইটা কোনে কেনেকৈ পাৰ কৰিব সেইয়া ভাবি সকলোৰে গাত হেঁপাহৰ সীমা নাইকীয়া। এতিয়া অৱশ্য সময়ৰ লগত এই বোৰ হেৰাই যাবলৈ ধৰিছে। গ্ৰীষ্ম বন্ধৰ তাহানিৰ আনন্দ স্ফূৰ্তিও এতিয়া প্ৰায় নাই বুলিব পাৰি। আগতে গৰমৰ বন্ধ বুলিলেই মামা, মাহী, পেহীৰ ঘৰকে ধৰি আত্মীয় সকলৰ ঘৰলৈ ফুৰিবলৈ যোৱা পৰ্ব আৰম্ভ হয়। তাহানিৰ গৰমৰ বন্ধ মানে যেন এটা সজাৰ চৰাই মুকলি কৰি দিয়া। কিমান যে পৰিকল্পনা বন্ধ বুলি। মামাৰ ঘৰত কিমান দিন থাকিম পেহীৰ ঘৰত কিমান দিন থাকিম... এক যেন প্ৰতিযোগিতাহে। ইফালে আহাৰ মাহ জাম খোৱাৰ বতৰ, বন্ধ বুলি সমনীয়াৰ সৈতে ভৰ দুপৰীয়া জাম গছৰ তলে তলে ফুৰা ও গৰমৰ বন্ধৰ সুকীয়া মাদকতা। এই অনুভৱবোৰ পিছে যান্ত্ৰিকতাৰ দৌৰত ক্ৰমাৎ হেৰাই যাবলৈ ধৰিছে। যিহেতু গৰম বন্ধৰ দিনকেইটাৰ বাদে বিশেষ আহৰি নাপায় সেয়ে গৰম বন্ধৰ দিন কেইটাত ল'ৰা-ছোৱালীয়ে খেলা-ধূলা কৰি, আম কঁঠাল বিচাৰি, পথাৰত সময় পাৰ কৰিব বিচাৰে। কিন্তু আজিকালি ল'ৰা-ছোৱালীয়ে বিচাৰিলেও তেনে কৰিব নোৱাৰে। ইয়াৰ ফলত তেওঁলোকে পঢ়া শুনাত সময় দিব পৰা হৈছে হয় কিন্তু ই তেওঁলোকক কিছুমান কথাৰ সৈতে পৰিচয় হোৱাত বাধা দিছে। মূলতঃ গৰম বন্ধ হৈছে স্বাধীনতা আৰু অৱসৰৰ সময়, ই ব্যক্তিসকলক স্থায়ী স্মৃতি সৃষ্টি কৰাৰ আৰু ঋতুৰ উষ্ণতাক আকোৱালি লোৱাৰ সুযোগ প্ৰদান কৰে। গৰমৰ বন্ধ বুলি ক'লে আগৰ সেই অনুভৱবোৰ যেনে সময়ৰ সোঁতত হেৰাই থাকিল। এতিয়া গৰমৰ বন্ধ মানে কেৱল গৃহকৰ্ম, নানান দক্ষতা শিকণ কৰ্মশালা আদি। আগৰ সেই অকৃত্ৰিম পৰিৱেশ ৰ উম-ঘামেই নাই। অৱশ্যে এইয়া সময়ৰে দাবী। এইবোৰৰ পৰা শিক্ষাৰ্থী সকল বহুত দক্ষতা সম্পন্নও হ'বলৈ ধৰিছে। তথাপিও আজিও শেষ জুনত অনুভৱ কৰা যায় পাৰ হৈ অহা গ্ৰীষ্মবন্ধৰ দিনৰ মাদকতা। ক'ৰবাত যেন হেৰাই গ'ল গীষ্মবন্ধৰ উচাহ।

সত্যমেৱ জয়তে
অসম চৰকাৰ

# মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনি

## সমূহ উজ্জ্বল নক্ষত্ৰলৈ বিশেষ উদগনি



### আঁচনিৰ উদ্দেশ্য

- গৱেষক ছাত্ৰ-ছাত্ৰীৰ উদ্ভাৱনী যাত্ৰাত অনুপ্ৰেৰণা যোগোৱাৰ হেতু আৰ্থিক সাহায্য প্ৰদান
- অসমত শৈক্ষিক উৎকৰ্ষতা আৰু উদ্ভাৱনৰ প্ৰসাৰৰ দিশত বিশেষ পদক্ষেপ
- দিব্যাংগসকলক গৱেষণাৰ ক্ষেত্ৰত উৎসাহিত কৰা

### এককালীন অনুদান

**গৱেষকসকলৰ বাবে**
**২৫,০০০/- টকা**

**দিব্যাংগ গৱেষকসকলৰ বাবে**
**৪০,০০০/- টকা**

### যোগ্যতা

- অসমত থকা চৰকাৰী/ৰাজহুৱা বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠানৰ পূৰ্ণকালীন গৱেষক (মুকলি বিশ্ববিদ্যালয় আৰু ব্যক্তিগত প্ৰতিষ্ঠান বাদ দি)
- অসমৰ স্থায়ী বাসিন্দা
- ২০২৫ চনত পি এইচ ডি কাৰ্যসূচীত নামভৰ্তি কৰা শিক্ষাৰ্থী

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি বাটছএপ কৰক

Janasanyog RO no 578/25/13-June-25

# মাজুলী মহাবিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন



**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলীৰ উচ্চ শিক্ষাৰ প্ৰথমখন অনুষ্ঠান মাজুলী মহাবিদ্যালয়ত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা তথা পৰিৱেশ পৰিষদৰ সাহায্যত তথা মহাবিদ্যালয়ৰ ইক' ক্লাৱ, পৰিৱেশ কোষ, উদ্ভিদ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান বিভাগৰ যৌথ সহযোগত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ পৰিচালক নাৰায়ণ শইকীয়া আৰু অনাময় কৰ্মী দীপক দাসৰ তত্ত্বাৱধানত কেডেটসকলে মহাবিদ্যালয় চৌহদত চাফাই কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছতে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱকসকলে তত্ত্বাৱধায়ক অধ্যাপক ড° অৰূপ বুঢ়াগোহাঁইৰ নেতৃত্বত স্থানীয় ২ নং মৰিটুনী গাঁৱৰ লগতে মহাবিদ্যালয়ৰ চৌহদৰ বিভিন্ন স্থানত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। দিনৰ ১১.৩০ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ পদ্মকান্ত দেৱগোস্বামী সভাকক্ষত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক বিশেষ সজাগতা সভা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা ইন্দিৰা বড়াই উদ্দেশ্য বাখ্যা কৰা সভাৰ আৰম্ভণিতে সকলোকে আদৰণি জনায় ইক' ক্লাৱৰ সমন্বয়ক ড° মঃ আমিনুল ইচলামে। সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি পৰিৱেশ সুৰক্ষাৰ কথা উল্লেখ কৰে। লগতে প্লাষ্টিকক মহাভাৰতৰ জৰাসন্ধৰ চৰিত্ৰৰ লগত তুলনা কৰি ইয়াক নিঃশেষ কৰিবলৈ সকলো লগ হৈ কৌশলগতভাৱে আগবাঢ়িব লাগিব বুলি মত পোষণ কৰে। সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱজ্যোতি ভট্টাচাৰ্যই প্লাষ্টিকৰ ভয়াৱহতাৰ ছবি দৃশ্য-শ্ৰব্য মাধ্যমেৰে উপস্থাপন কৰি কিদৰে প্লাষ্টিকৰ পুনৰ্ব্যৱহাৰৰ জৰিয়তে প্ৰকৃতিক সুৰক্ষা প্ৰদান কৰিব পাৰি সেই বিষয়ে বাখ্যা কৰে। লগতে প্ৰকৃতিৰ সুৰক্ষাৰ স্বাৰ্থত নিজকে নিয়োগ কৰা বিভিন্নজন প্ৰকৃতিপ্ৰেমীৰ উদাহৰণৰে সেইসকলৰ আদৰ্শৰে ছাত্ৰ-ছাত্ৰীসকলক উদ্বুদ্ধ হ'বলৈ আহ্বান জনায়। আনজন সমল ব্যক্তি তথা মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ সহকাৰী অধ্যাপক আচাৰ্য মোহন দাসে পৰিৱেশ দিৱসৰ ইতিহাসৰ বিষয়ে উল্লেখ কৰি জাবৰ বোটলা সাধাৰণ লোক এজনৰো এইবাৰৰ পৰিৱেশ দিৱসৰ বিষয়বস্তু সফলভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত থকা গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। সভাত উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰসাশনিক সমন্বয়ক প্ৰশান্ত শইকীয়া আৰু মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি ড° ৰাজেন চন্দ্ৰ বৰাই নিজৰ বক্তব্যৰে সকলোকে আপ্লুত কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'প্লাষ্টিকমুক্ত পৃথিৱীৰ সপোন' শীৰ্ষক এক ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° জুলী গগৈয়ে আঁত ধৰা সভাৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° পল্লৱী দুৱৰাই।

# শিক্ষাবিদ প্ৰফুল্ল চন্দ্ৰ বৰাৰ বন্দনানুষ্ঠানৰ আয়োজন

**বিকাশ শইকীয়া, মাজুলী ঃ** নদীদ্বীপ মাজুলীৰ ইংৰাজী শিক্ষাৰ প্ৰথম প্ৰতিষ্ঠান মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চমাধ্যমিক (বৰ্তমান উচ্চতৰ মাধ্যমিক) বিদ্যালয়ৰ অষ্টমগৰাকী প্ৰধান শিক্ষক সদ্যপ্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰাৰ স্মৃতিত প্ৰাক্তন শিক্ষাৰ্থীসকলে আয়োজন কৰিছে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। অহা ৯ জুনত শিক্ষাগুৰুগৰাকীৰ পৱিত্ৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আয়োজন কৰা 'মাননীয় প্ৰফুল্ল চন্দ্ৰ বৰাৰ বিনীত বন্দনানুষ্ঠান' শীৰ্ষক অনুষ্ঠানটি প্ৰয়াত শিক্ষাবিদগৰাকীৰ কমলাবাৰী বিষ্ণুপুৰস্থিত নিজা বাসগৃহত অনুষ্ঠিত হ'ব। আদ্যশ্ৰাদ্ধানুষ্ঠানৰ মাংগলিক কৰ্মৰ অন্তত দিনৰ ১২.৪৫ বজাৰ পৰা হ'বলগা অনুষ্ঠানটিত মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ লগতে প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰাৰ গুণমুগ্ধসকলৰ উপস্থিতি প্ৰাক্তন শিক্ষাৰ্থীসকলৰ হৈ ড° দেৱজিৎ শইকীয়া, ডিম্বেশ্বৰ দত্ত, তুলসী ৰাজখোৱা আৰু অমৰজ্যোতি বৰাই একান্তই কামনা কৰিছে।




# ডিব্ৰুগড়ত শান্তিপূৰ্ণভাৱে ত্যাগৰ উৎসৱ ঈদ উজ জোহা উদ্‌যাপনৰ অনুষ্ঠান- বিশ্ব শান্তিৰ বাবে প্ৰাৰ্থনা



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে ডিব্ৰুগড়তো ৭-৬-২০২৫ তাৰিখে পৱিত্ৰ উৎসৱ 'ঈদ উজ জোহা' পালন কৰা হয়। ইছলামধৰ্মী লোকসকলে ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰত থকা 'ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহ'ত প্ৰায় ৭/৮ হাজাৰ লোকে ঈদৰ নামাজত অংশগ্ৰহণ কৰে। ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহত ঈদৰ নামাজত ইমামতি কৰে ডিব্ৰুগড় কদমনি মছজিদৰ পেচ ইমাম মৌলানা ৰিয়াজুল ইছলাম আল জমি। ঈমাম গৰাকীয়ে ভাষণ প্ৰদান কৰি জাতি ধৰ্ম ভাষা বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত প্ৰেম, সম্প্ৰীতি আৰু ভ্ৰাতৃত্বৰ কথা কোৱাৰ লগতে ত্যাগৰ উৎসৱ ঈদৰ তাৎপৰ্যৰ বহল ব্যাখ্যা দাঙি ধৰে। শেষত তেখেতে সকলোৰে বাবে কুশল কামনা কৰাৰ বিশ্ব শান্তিৰ বাবে প্ৰাৰ্থনা কৰে। এই অনুষ্ঠানতে ডিব্ৰুগড় ঈদগাহ কমিটিৰ সম্পাদক আলহজ আমানুল্লা আনচাৰিয়ে উপস্থিত সকলোকে ঈদ মোবাৰক আৰু ধন্যবাদ জনোৱাৰ লগতে শলাগৰ শৰাই আগবঢ়ায় কমিটিৰ সম্পাদক আলহজ চৌকত আলিয়ে। লগতে তেখেতে ডিব্ৰুগড় জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, বিদ্যুৎ বিভাগ, ডিব্ৰুগড় পৌৰসভা, সংবাদ মাধ্যমৰ আৰু ঈদগাহৰ কৰ্মীসকলে তেঁওলোকে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ডিব্ৰুগড়ত বতৰ ফৰকাল হোৱা বাবে ডিব্ৰুগড়ৰ আমোলাপট্টিত থকা 'আলহজ জালালউদ্দিন আহমেদ ঈদগাহ'ত প্ৰায় দুই হাজাৰ লোকে নামাজত অংশগ্ৰহণ কৰে। ইয়াত ইমামতি কৰে অসম জামিউল মাদ্ৰাছাৰ মৌলানা মঞ্জুৰ আহমেদে। তেওঁ বিশ্ব শান্তিৰ বাবে পৰম কৰুণাময়ৰ ওচৰত দুহাত তুলি দেশৰ দহৰ বাবে প্ৰাৰ্থনা কৰে। ডিব্ৰুগড়ত থকা ৩০ (ত্ৰিশ) টা মছজিদটো শান্তিপূৰ্ণভাৱে ঈদৰ নামাজ অনুষ্ঠিত হয়। ঈদ উপলক্ষে বিভিন্নজনে শুভেচ্ছা বাণী পঠিয়াইছে। ডিব্ৰুগড়ৰ জাকাত এণ্ড ইমদাদ ফাউণ্ডেচনৰ সভাপতি ডাঃ চাজিদ আহমেদ, সম্পাদক নাচিৰ চুলতান, কোষাধ্যক্ষ নেজিব হুছেইন ছাব্ৰী, চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ সভাপতি চেহিৰ আহমদ, সম্পাদক এম হাছিম আলী, উপ-সভাপতিদ্বয় আব্দুল খালেক, ৰফিক আহমেদ, ডিব্ৰুগড় ঈদগাহ সমিতিৰ সভাপতি আলহজ্ব আমানউল্লা আনচাৰি, সম্পাদক আলহজ্ব চৌকত আলি, কাৰ্যকৰী সভাপতি আব্দুল চাজিদ, ডিব্ৰুগড় জিলাৰ হিলাল কমিটিৰ সভাপতি আলহজ মৌলানা আইনান জুবেৰী, সম্পাদক আলহজ্ব নাচিমুল গণি, ডিব্ৰুগড় ইমাম পৰিষদৰ সভাপতি আলহজ্ব মৌলানা ছবিৰ আহমেদ, সম্পাদক আলহজ্ব মৌলানা আতিকুৰ ৰহমান কাচিমী, আলহজ জালালউদ্দিন আহমেদ ঈদগাহ কমিটিৰ সভাপতি আলহজ ছবিৰ আহমেদ, সম্পাদক জাৱেদ ৰহমান, ডিব্ৰুগড় দাৰুল হাদিছ মাদ্ৰাছাতুল বানাত ছোৱালী মাদ্ৰাছাৰ সভাপতি মনিৰউদ্দিন আহমেদ, সম্পাদক আৰিফউদ্দিন আহমেদ আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে ঈদৰ শুভেচ্ছা আৰু ঈদ মোবাৰক জনাইছে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা